**গৌহাটী উচ্চ ন্যায়ালয়**

(ন্যায়াধীশ মাইকেল জোথানখুমা আৰু ন্যায়াধীশ মালাশ্ৰী নন্দীৰ সাক্ষাতে)

অনুৰাগ গোস্বামী

-বনাম-

অসম ৰাজ্যৰ পক্ষত চৰকাৰী অধিবক্তা আৰু আন এজন

ফৌজদাৰী আপীল নং ৫৫/২০২০

২০২৩ চনৰ ৪ এপ্ৰিলত সিদ্ধান্ত লোৱা হৈছে

এই গোচৰত উপস্থিত অধিবক্তাসকল:

আবেদনকাৰীৰ অধিবক্তা: শ্ৰী আৰ. পি. শৰ্মা

উত্তৰদাতাৰ অধিবক্তা: পি. পি., অসম

আদালতৰ ৰায় প্ৰদান-

**ন্যায়াধীশ মালাশ্ৰী নন্দী**:— আপীলকাৰীৰ পক্ষত উপস্থিত বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী আৰ. পি. শৰ্মা-ই যুক্তি উপস্থাপন কৰে। লগতে ৰাজ্যৰ হৈ উপস্থিত অতিৰিক্ত ৰাজহুৱা অধিবক্তা- শ্ৰীমতী বি. ভূঞা, আৰু ২ নং উত্তৰদাতাৰ হৈ উপস্থিত বিদ্বান অধিবক্তা, শ্ৰী ডি. বৰাৰ যুক্তি প্ৰদৰ্শন গ্ৰহন কৰা হ'ল।

২) এই আপীল আবেদনখন আপীলকাৰী অনুৰাগ গোস্বামীয়ে দাখিল কৰোঁতে, ১৬.১২.২০১৯ তাৰিখে বিদ্বান সত্ৰ ন্যায়াধীশ, কামৰূপ(ম)-এ গোচৰ নং. ২৫৮/২০১৫-ত গৃহীত ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাইছে, য'ত অভিযুক্ত/আপীলকাৰীক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২-ৰ অধীনত যাবৎজীৱন কাৰাদণ্ড লগতে জৰিমনাৰ শাস্তি প্ৰদান কৰা হৈছে। তাৰোপৰি

তেওঁ ১০,০০০/- টকা জৰিমনা পৰিশোধ নকৰিলে ৬(ছয়) মাহৰ বাবে সাধাৰণ কাৰাদণ্ড হ'ব।

৩) বিচাৰধীন গোচৰটো হ'ল এইয়ে যে, ২৬-১১-২০১২ তাৰিখে তথ্যদাতা-মনমোহন বৰ্মনে এখন এজাহাৰ দাখিল কৰিছিল, য'ত উল্লেখ কৰা হৈছিল যে, ২৫-১১-২০১২ তাৰিখে আবেলি প্ৰায় ৬:৩০ বজাত দিছপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মোনাল টাৱাৰৰ এছ. টেল কাৰ্যালয়ত কৰ্মৰত তেওঁৰ খুৰাক- খগেন বৰ্মনক অভিযুক্ত/ আপীলকাৰী- অনুৰাগ গোস্বামীৰ লগতে আন এজন ব্যক্তিয়ে তীখাৰ পাট আৰু অন্যান্য চোকা অস্ত্ৰৰে কাৰ্যালয়তে আক্ৰমণ কৰে, যাৰ ফলত শৰীৰৰ বিভিন্ন অংশ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে খুৰাকক ১০৮ সেৱাৰ সহায়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়, কিন্তু পৰৱৰ্তী তাৰিখত অৰ্থাৎ ২৬.১১.২০১২ তাৰিখে চিকিৎসাধীন অৱস্থাত জি. এম. চি. এইচ.-ত খুৰাকৰ মৃত্যু হয়।

৪) অভিযোগ লাভ কৰাৰ লগে লগে ভাৰতীয় দণ্ডবিধিৰ ৪৪৮/৩০২/৩৪ নং ধাৰাৰ অধীনত দিছপুৰ থানাত গোচৰ নং ২৫৩৭/২০১২ ৰুজু কৰা হয় আৰু সেই মৰ্মে তদন্ত আৰম্ভ কৰা হৈছে। তদন্তৰ সময়তে ভুক্তভোগীৰ বক্তব্য লিপিবদ্ধ কৰা হৈছিল যদিও, তাৰ পিছতেই তেওঁৰ মৃত্যু হয়। তদন্তকাৰী বিষয়াই আন সাক্ষীৰ বক্তব্যও লিপিবদ্ধ কৰে, সংঘটিত হোৱা ঠাইখন পৰিদৰ্শন কৰে, অপৰাধত ব্যৱহৃত অস্ত্ৰ জব্দ কৰে, তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত অভিযুক্ত/আপীলকাৰী অনুৰাগ গোস্বামী আৰু আনজন ব্যক্তি বিমল বনিয়াৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪-ৰ অধীনত অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশ, কামৰূপ(ম)-ক অভিযোগনামা দাখিল কৰা হয়।

যিহেতু, সত্ৰ আদালতে এই অপৰাধ একচেটিয়াভাৱে বিচাৰ কৰিব পাৰে, সেয়েহে গোচৰটোৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

৫) বিচাৰৰ সময়ত, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪-ৰ অধীনত অভিযুক্ত/আপীলকাৰী- অনুৰাগ গোস্বামী আৰু আনজন অভিযুক্ত বিমল বনিয়াৰ বিৰুদ্ধে বিদ্বান সত্ৰ আদালতে অভিযোগ গঠন কৰে, উক্ত অভিযোগ পঢ়ি শুনাই তেওঁলোকক বুজাই দিয়া হয়, কিন্তু তেওঁলোকে নিজকে দোষমুক্ত বুলি স্বীকাৰ কৰি বিচাৰৰ দাবী জনায়।

৬) অভিযুক্ত ব্যক্তিসকলৰ দোষ প্ৰমাণ কৰিবলৈ অভিযোগকাৰীয়ে দহজন সাক্ষীক সোধপোচ কৰে আৰু বিচাৰ আদালতৰ সন্মুখত ১৪থন প্ৰদৰ্শকৰ ওপৰঞ্চি তিনিটা বস্তুগত প্ৰদৰ্শক চিহ্নিত কৰে। আনহাতে, অভিযুক্ত/ আপীলকাৰীয়ে নিজৰ গোচৰৰ সমৰ্থনত এজনৰ সাক্ষ্য উত্থাপন কৰে। বিচাৰ সম্পূৰ্ণ হোৱাৰ পিছত, ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা ৩১৩-ৰ অধীনত দুয়োজন অভিযুক্ত ব্যক্তিৰ সাক্ষ্য লিপিবদ্ধ কৰা হৈছে আৰু সাক্ষীসকলৰ সোধপোচত পোৱা সকলো অপৰাধৰ প্ৰামান্য সামগ্ৰী সাক্ষীৰ সন্মুখত উপস্থাপন কৰা হয়, যিবোৰ তেওঁলোকে অস্বীকাৰ কৰে। তেওঁলোকৰ মতে এই ঘটনাৰ লগত তেওঁলোকক মিছাকৈ জড়িত কৰা হৈছে। দুই পক্ষৰ বাবে বিদ্বান অধিবক্তাই আগবঢ়োৱা যুক্তি শুনাৰ পিছত, বিদ্বান বিচাৰ আদালতে অভিযুক্ত/আপীলকাৰী অনুৰাগ গোস্বামীক দোষী সাব্যস্ত কৰিছে। কিন্তু, আনজন অভিযুক্ত বিমল বনিয়াক দোষমুক্ত কৰিছে। সেয়েহে অভিযুক্ত/আপিলকাৰীয়ে এই আপীল দাখিল কৰিছে।

৭) আপীলকাৰীৰ বিদ্বান জ্যেষ্ঠ অধিবক্তা- শ্ৰী আৰ. পি. শৰ্মাই যুক্তি দিছিল যে, সংশ্লিষ্ট কাণ্ডৰ সময়ত যিজন দিছপুৰ আৰক্ষী মোতায়েন আছিল আৰু সংঘটিত হোৱা ঠাইত মৃতকৰ বক্তব্য লিপিবদ্ধ কৰিছিল(প্ৰদৰ্শক-১৩)- সেই বাদী নং ৯-ৰ সাক্ষ্য সঠিকভাৱে বিবেচনা কৰাত বিদ্বান বিচাৰ আদালত ব্যৰ্থ হৈছে। আৰু, সাক্ষীজনে জেৰাত কৈছিল যে, তেওঁ ভুক্তভোগীৰ সাক্ষ্য

(প্ৰদৰ্শক-১৩) লিপিবদ্ধ কৰিলেও কিন্তু, গোচৰটো পঞ্জীয়ন কৰা হোৱা নাছিল- এই বিষয়ত বিদ্বান বিচাৰ আদালতে বিবেচনা কৰিবলৈ সক্ষম হোৱা নাছিল। প্ৰায় ৭ বজাত তেওঁ তথ্য লাভ কৰে। তেওঁ ৮ বজাত মৃতকৰ বক্তব্য নথিভুক্ত কৰিছিল। বাদী নং ৯-এ কয় যে, সেইসময়ত চিকিৎসালয়ত লোকজনৰ চেতনা আছিল, তাৰোপৰি চিকিৎসালয়ত চিকিৎসক আৰু নাৰ্ছ নিশ্চিতভাৱে উপস্থিত থাকিব, যিসকলৰ স্বাক্ষৰ প্ৰদৰ্শক ১৩-ত ল'ব পৰা গ'লহেতেন; ঘটনাৰ লগে লগে ভুক্তভোগীৰ লিপিবদ্ধ কৰা বক্তব্যক দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী) বুলি গণ্য কৰা হৈছে।

৮) ইয়াৰ বাবে বিদ্বান জ্যেষ্ঠ অধিবক্তাই আপীলকাৰীৰ পক্ষত দাখিল কৰে যে, সহ-অভিযুক্ত বিমল বনিয়াক বিদ্বান বিচাৰ আদালতে দোষমুক্ত কৰে। চিকিৎসকৰ প্ৰতিবেদন পৰা দেখা গৈছে যে, মৃতকে ১৮ সংখ্যক আঘাত পাইছে, এই সত্যই স্পষ্টভাৱে প্ৰকাশ কৰে যে, আপীলকাৰীয়ে অকলে মৃতকক আক্ৰমণ কৰিব নোৱাৰিলেহেঁতেন। বিচাৰ আদালতৰ মনেসজা প্ৰমাণৰ ভিত্তিতহে অভিযুক্ত- বিমল বনিয়াক দোষমুক্ত কৰা হয়। সেয়েহে, আপীলকাৰীয়ে জড়িত বুলি অভিযোগ উত্থাপন কৰা আক্ৰমণৰ কাহিনী কল্পনা আৰু পৰৱৰ্তী চিন্তাৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

৯) বিদ্বান জ্যেষ্ঠ অধিবক্তাই আপীলকাৰীৰ পক্ষত এনেদৰে যুক্তি দিছে যে, তথাকথিত দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী) সকলো নিৰপেক্ষতা আৰু যুক্তিযুক্ততাৰে সঠিকভাৱে লিপিবদ্ধ কৰা হোৱা নাছিল, ফলত উক্ত ঘোষণাটোক অবিশ্বস্ত কৰি তুলিছিল। বিদ্বান বিচাৰ আদালতে ১৮৭২-ৰ ভাৰতীয় সাক্ষ্য আইনৰ ধাৰা ৩২-ৰ ব্যাখ্যা আৰু তাত উল্লেখ কৰা ন্যায়িক সিদ্ধান্তসমূহ ভুল কৰিছে। আপীলকাৰীৰ জ্যেষ্ঠ অধিবক্তাৰ

যুক্তিত ৰায়দান আৰু দোষীসাব্যস্তকৰণ আইনৰ চকুত ভুল আৰু গতিকে উক্ত সিদ্ধান্ত একাষৰীয়া কৰাতো বাঞ্চনীয়।

১০) তেওঁ উত্থাপন কৰা যুক্তিৰ সমৰ্থনত বিদ্বান জ্যেষ্ঠ অধিবক্তাই তলত দিয়া গোচৰসমূহৰ ওপৰত নিৰ্ভৰ কৰিছে-

i. *আতবীৰ বনাম দিল্লীৰ এন.চি.টি. চৰকাৰ* প্ৰতিবেদন নং-(২০১০)৯এছ.চি.চি. ১।

ii. *ৰাজস্থান ৰাজ্য বনাম তেজা ৰাম* প্ৰতিবেদন নং-(১৯৯৯)৩এছ.চি.চি. ৫০৭।

iii. *থানু ৰাম বনাম মধ্যপ্ৰদেশ ৰাজ্য* প্ৰতিবেদন নং-(২০১০)১০এছ.চি.চি. ৩৫৩।

iv. *শ্ৰীমতী কমলা বনাম ষ্টেট অৱ পাঞ্জাব* প্ৰতিবেদন নং-(১৯৯৩) ১ এছ.চি.চি. ১- এ.আই. আৰ. ৩৭৪।

১১) শ্ৰীমতী ভূঞা, বিদ্বান অতিৰিক্ত ৰাজহুৱা অধিবক্তাই আপীলকাৰীৰ পক্ষত বিদ্বান জ্যেষ্ঠ অধিবক্তাৰ দাখিল কৰা তথ্যৰ বিৰোধিতা কৰি উপস্থাপন কৰিছে যে, এই কাণ্ডৰ পিছতেই জীয়াই থকা অৱস্থাত মৃতকৰ বক্তব্য বাদী নং ৯-ৰ দ্বাৰা লিপিবদ্ধ কৰা হৈছে। পৰৱৰ্তী সময়ত, চিকিৎসাধীন অৱস্থাত চিকিৎসালয়ত তেওঁৰ মৃত্যু হয়। ভুক্তভোগীৰ সাক্ষ্য নথিভুক্ত কৰাৰ সময়ত, আন ব্যক্তিৰ স্বাক্ষৰ লোৱাটো প্ৰয়োজনীয় বুলি তদন্তকাৰী বিষয়াই অনুভৱ কৰা নাছিল। কাৰণ, আহতজনক চিকিৎসালয়লৈ অনাৰ সময়ত কথা ক'ব পৰা অৱস্থাত আছিল। মৃত্যুমুখত পৰিল বাবে আৰক্ষীৰ আগত দিয়া তেওঁৰ বক্তব্যক দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী) বুলি গণ্য কৰিব পাৰি। দায়িং-দিক্লাৰেচনৰ ওপৰত ভিত্তি কৰি দোষী সাব্যস্ত কৰিব পাৰে- এই যুক্তি এক প্ৰতিষ্ঠিত বিধি। বিদ্বান বিচাৰ আদালতৰ ৰায়দানত কোনো অনিয়ম পোৱা নগ'ল আৰু

অভিযুক্ত/আপিলকাৰীক দোষী সাব্যস্ত কৰা বিদ্বান বিচাৰ আদালতৰ ৰায়দান আৰু অভিযুক্ত/আপীলকাৰীয়েই অপৰাধত দোষী- এই তথ্যত আদালতৰ কোনো হস্তক্ষেপৰ প্ৰয়োজন নাই।

১২) ৰাজ্যৰ অতিৰিক্ত ৰাজহুৱা অধিবক্তাইও দাখিল কৰিছে যে, আপীলকাৰীৰ বিদ্বান জ্যেষ্ঠ অধিবক্তাই কেৱল তেওঁৰ এই যুক্তিৰ ওপৰত জোৰ দিয়ে যে, যিহেতু, একেটা ঘটনাৰ ক্ষেত্ৰতে আনজন অভিযুক্ত- বিমল বনিয়াক বিদ্বান বিচাৰ আদালতে দোষমুক্ত কৰিছে, সেয়েহে আপীলকাৰীজনো বেনেফিত অৱ দাউট (সন্দেহৰ সুবিধা) লাভ কৰাৰ অধিকাৰী।

১৩) আনহাতে, ২ নং উত্তৰদাতাৰ পক্ষত বিদ্বান অধিবক্তা- ডি. বৰা ডাঙৰীয়াই অতিৰিক্ত ৰাজহুৱা অভিযোগকাৰীৰ যুক্তি উত্থাপন কৰি কৈছে যে, যদিও আপীলকাৰীৰ পক্ষত বিদ্বান জ্যেষ্ঠ অধিবক্তা দাবী কৰিছে যে, কেইবাখনো দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী) আছে, প্ৰকৃততে মাত্ৰ এখনহে আছিল, যিখন ৯ নং বাদীৰ সন্মুখত দিয়া হৈছে আৰু যিখন বিদ্বান বিচাৰকৰ সন্মুখত প্ৰদৰ্শক নং ১৩ হিচাপে প্ৰদৰ্শিত হৈছিল। ২নং উত্তৰদাতাৰ পক্ষত বিদ্বান অধিবক্তাই *নাগভূষণ বনাম কৰ্ণাটক ৰাজ্য* প্ৰতিবেদন নং- (২০২১) ৫ এছ. চি. চি. ২২২-ৰায়ৰ উল্লেখ কৰি কয় যে, যদিও, আৰক্ষী বিষয়া এজনে দায়িং-দিক্লাৰেচনখন লিপিবদ্ধ কৰিলেও কিন্তু, প্ৰমাণৰূপে গ্ৰহণযোগ্য আছিল।

১৪) বিদ্বান বিচাৰ আদালতৰ ৰায়দানৰ পৰা প্ৰকাশ পাইছে যে, দোষী সাব্যস্ত কৰাটো মূলতঃ মৃত ব্যক্তিয়ে কৰা দায়িং-দিক্লাৰেচন, আঙুলিৰ চাপৰ বিশেষজ্ঞৰ প্ৰতিবেদন আৰু সাক্ষীসকলৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি কৰা হয়।

১৫) বাদী নং ১, দেৱজিত ৰাজখোৱা সহকাৰী প্ৰৱন্ধক(বাণিজ্যিক)হিচাপে ঘটনাৰ সংশ্লিষ্ট সময়ত গুৱাহাটীৰ এছ. টেল প্ৰাইভেট লিমিটেডত কৰ্মৰত আছিল। তেওঁ নিজৰ সাক্ষ্যত উপস্থাপন কৰিছিল যে, এই ঘটনাটো ২০১২ চনৰ নৱেম্বৰ মাহত দিছপুৰ আৰক্ষীৰ অন্তৰ্গত মোনাল টাৱাৰত সংঘটিত হৈছিল। সেইদিনা প্ৰায় ৭ বজাত তেওঁলৈ নাথ নামৰ এজনৰ টেলিফোন কল আহিল যে, মোনাল টাৱাৰৰ ছিকিউৰিটি গাৰ্ড- খগেন বৰ্মনক একাংশ অজ্ঞাত ব্যক্তিয়ে আক্ৰমণ কৰিছে আৰু ১০৮ এম্বুলেন্স মাতি, আঘাতপ্ৰাপ্ত অৱস্থাত চিকিৎসাৰ বাবে চিকিৎসালয়লৈ তেওঁক স্থানান্তৰ কৰা হৈছে। খবৰ পোৱাৰ লগে লগে তেওঁ মনাল টাৱাৰলৈ গৈ গ'ম পালে যে, আৰক্ষী ইতিমধ্যে সেই ঠাইত উপস্থিত হৈছে, সংঘটিত ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। তেওঁ লক্ষ্য কৰিলে যে, নিৰাপত্তাৰক্ষীৰ কোঠাৰ দুৱাৰৰ মজিয়াত তেজৰ দাগ লাগি আছে। আৰক্ষীয়ে তেজ দাগ লগা কাপোৰ আৰু অন্যান্য সামগ্ৰী জব্দ মেমোৰ প্ৰদৰ্শক ১ মৰ্মে জব্দ কৰে। বাদী নং ১-ৰ ক্ৰছ এক্সামিনেচন (জেৰা) নাকচ কৰা হৈছে।

১৬) খবৰদিওতা- বাদী নং ২ মৃতকৰ সম্পৰ্কীয় ভাতৃ হয়। তেওঁৰ মতে, ঘটনাৰ তাৰিখত, সম্পৰ্কীয় ভায়েক নীলাকান্ত বৰ্মনৰ ফোন কল পায়, লগতে জনাই যে, মৃতব্যক্তিজনক অভিযুক্ত অনুৰাগ গোস্বামী আৰু বিমল বনিয়াই আক্ৰমণ কৰিছে আৰু তেওঁক গুৱাহাটীৰ জি.এম.চি.এইচ.ত ভৰ্তি কৰোৱা হৈছিল। খবৰ পায়েই, তেওঁ জি.এম.চি.এইচ.লৈ দৌৰাদৌৰিকৈ গৈছিল। চিকিৎসালয়ত, জৰুৰীকালীন ৱাৰ্ডত তেওঁৰ চিকিৎসাধীন সম্পৰ্কীয় ভাতৃক বিচাৰি পালে। তেওঁ সম্পৰ্কীয় ভায়েকৰ মূৰৰ পৰা ৰক্তক্ষৰণ হোৱা লক্ষ্য কৰিছিল আৰু সোধাত মৃতকে সেইসময়ত প্ৰকাশ কৰিছিল যে, অনুৰাগ গোস্বামীয়ে ঘটনাৰ তাৰিখত মোনাল টাৱাৰৰ এছ. টেল. প্ৰাইভেট লিমিটেড

কোম্পানীলৈ আহিছিল আৰু কাৰ্যালয়ৰ পৰা কম্পিউটাৰ ছেট চুৰি কৰাৰ চেষ্টা কৰিছিল, কিন্তু যেতিয়া মৃতব্যক্তিজনে তেওঁক বাধা দিছিল, তেতিয়া তেওঁক তীখাৰ পাট আৰু ৱাইনৰ খালী বটলেৰে আক্ৰমণ কৰিছিল। মৃতকে তেওঁক এইকথাও কৈছিল যে, অভিযুক্ত- বিমল বনিয়াই তেওঁক খালী ৱাইনৰ বটল এটাৰে আক্ৰমণ কৰিছিল। বাদী নং২-য়ে বাওঁকান্ধত ৰক্তক্ষৰণৰ আঘাত লক্ষ্য কৰিছিল। ২৬-১১-২০১২-ত অৰ্থাৎ খগেন বৰ্মনৰ মৃত্যু হয়। তাৰপিছত, ঘটনাৰ বিৱৰণী দি তেওঁ দিচপুৰ আৰক্ষী থানাত এজাহাৰ, প্ৰদৰ্শক নং ২ দাখিল কৰে। বাদী নং২-য়ে এইটোও জনাই যে, শ্ৰীৰাজখোৱাই এই ঘটনা বিষয়ত দিচপুৰ আৰক্ষীক ফোনযোগে জনাইছিল আৰু সেই অনুসৰি ১০৮ এম্বুলেন্সৰে আঘাতপ্ৰাপ্ত অৱস্থাত খগেন বৰ্মনক ঘটনা সংঘটিত হোৱা ঠাইৰ পৰা জি.এম.চি.এইচ. লৈ স্থানান্তৰ কৰিছিল।

১৭) জেৰাত বাদী নং ২-য়ে কয় যে, যিসময়ত তেওঁ মৃতকৰ পৰা ঘটনাটোৰ বিষয়ে বিতংভাৱে জানিব পাৰিলে, সেইসময়ত মৃতক আঘাতপ্ৰাপ্ত অৱস্থাত আছিল। বাদী নং ২-য়ে স্বীকাৰ কৰিছিল যে, তেওঁ এজাহাৰত অভিযুক্ত-বিমল বনিয়াৰ নাম উল্লেখ কৰা নাছিল।

১৮) গুৱাহাটীৰ ভঙাগড়ৰ সাগৰ সুৰক্ষা সংস্থাৰ ব্যক্তিগত সুৰক্ষাকৰ্মী বাদী নং৩- কুমুদ ভৰালীয়ে কয় যে, এছ. টেল কোম্পানী প্ৰা. লি., গুৱাহাটীত নিৰাপত্তাৰক্ষী হিচাপে কাম কৰা মৃতকক চিনি পাইছিল। তেওঁ সাক্ষ্য দিছিল যে, ঘটনাৰ নিশা সাগৰ এজেন্সিৰ মেনেজিং ডাইৰেক্টৰে ফোনযোগে তেওঁক অৱগত কৰিছিল যে, এছ. টেল কাৰ্যালয়ত কাজিয়া লাগিছে আৰু তেওঁ ঘটনাস্থলীলৈ ততাতৈয়াকৈ গৈছিল আৰু অনুসন্ধান কৰি জানিব পাৰিছিল যে, আক্ৰমণৰ ঘটনা সংঘটিত হৈছে আৰু আহতক চিকিৎসাৰ বাবে জি.এম.চি.এইচ.লৈ স্থানান্তৰ কৰা হৈছে। তাৰপিছত, তেওঁ জি.এম.চি.এইচ.লৈ

গৈ মৃতকজনক চিকিৎসাধীন অৱস্থাত বিচাৰি পালে। পিছদিনা চিকিৎসালয়ত খগেন বৰ্মনৰ আঘাতৰ বাবে মৃত্যু হয়।

১৯) বাদী নং৪ এজন আঙুলিৰ চাপৰ বিশেষজ্ঞ। দিচপুৰ থানাৰ গোচৰ নং ২৫৩৭/২০১২-ৰ সন্দৰ্ভত তেখেতৰ জবানবন্দীৰ পৰা এইকথা প্ৰকাশিত হয় যে, ঘটনা সংঘটিত ঠাইৰ পৰা ৰাজ্যিক ফিংগাৰ প্ৰিন্ট ব্যুৰো, চি.আই.ডি., উলুবাৰী গুৱাহাটী, অসমৰ সঞ্চালকে সংগ্ৰহ কৰা আঙুলিৰ চাপবোৰ তেখেতক পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছিল। ঘটনাস্থলীৰ পৰা সংগ্ৰহ কৰা অভিযুক্ত অনুৰাগ গোস্বামীৰ আঙুলি চাপৰ নমুনা পৰীক্ষা কৰে। তেখেতে সংগ্ৰহ কৰা দুয়োটা ইমপ্ৰেচন (নমুনা) আপীলকাৰীৰ ১৪টা লক্ষণৰ লগত মিল খাইছিল। প্ৰতিবেদন আৰু আঙুলি চাপৰ নমুনা, ক্ৰমে প্ৰদৰ্শক ৫ আৰু ৬ ৰূপে প্ৰদৰ্শিত হৈছে।

২০) জেৰাত, বাদী নং৪-য়ে যুক্তি দিয়ে যে, অনুৰাগ গোস্বামীৰ আঙুলি চাপৰ নমুনা দিচপুৰ আৰক্ষীয়ে পাইছিল। যেতিয়া নিশা প্ৰায় ১০বজাত ঘটনাস্থলীত উপস্থিত হৈছিল, তেখেতে এছ. টেল কোম্পানীৰ কৰ্মচাৰী আৰু আৰক্ষীক লগ পাইছিল।

২১) বাদী নং৫ চিকিৎসা বিষয়া- ডাঃ ৰক্তিম প্ৰতীম তামুলীয়ে পুলিচৰ দাবীত মৃতকৰ মৰণোত্তৰ পৰীক্ষা সম্পাদন কৰিছিল আৰু পৰীক্ষাত তেওঁ নিম্নলিখিত আঘাতৰ সম্ভেদ পাইছিল-

> বাহ্যিক অৱয়ব- নিয়মীয়া গঢ়ৰ মিঠা বৰণৰ পুৰুষৰ মৃতদেহ, পিন্ধনত মাটিয়া ৰঙৰ ট্ৰাউজাৰ, মাটিয়া ৰঙৰ হাতদীঘল চাৰ্ট, মাটিয়া ৰঙৰ আণ্ডাৰৱেৰ, সেউজীয়া ৰঙৰ হাতকাটা চুৱেটাৰ আৰু বগা ৰঙৰ গেঞ্জি পৰিহিত। মুখৰ ওপৰত (নাকত) গোট মৰা তেজ দেখা গৈছিল আৰু পিন্ধনত পোছাক আছিল, মূৰৰ চুলি মুণ্ডন কৰা হৈছিল। চকু

আৰু মুখ বন্ধ আছিল। এনাচ-পেনিচ চেৰোটিম স্বাস্থ্যকৰ আছিল। স্পৰ্শত শৰীৰটো উষ্ণ আৰু ৰিগৰ মৰ্টিচ্ (জঠৰতা) সমগ্ৰ শৰীৰতে বিয়পি পৰিছিল। মৰণোত্তৰ পৰীক্ষাৰ হাইপোষ্টেচিচ্ (দেহৰ কোনো অংগত জমা হোৱা তেজ) পিঠিৰ ওপৰত হৈছিল আৰু যি ঠিক কৰা হৈছিল।

১. মূৰৰ তালুৰ সন্মুখৰফালে বাওঁ চেলাউৰিৰ পৰা ৪চে.মি. ওপৰত আৰু মধ্যৰেখাৰ পৰা ৩চে.মি. বাওঁফালে পৰা একক চিলাইৰ সৈতে ৩চে.মি. দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ আছিল।

২. মূৰৰ তালুৰ সন্মুখৰফালে বাওঁফালে দুটা চিলাইৰে ৪চে.মি. দীঘল ঘাঁ আছে, যিটো মধ্যৰেখাৰ ৩চে.মি. বাওঁফালে আৰু ১নং আঘাতৰ পৰা ০.৫ চে.মি. ব্যৱধানত আছিল।

৩. চাৰিটা চিলাইৰে ৫চে.মি. দীঘল ঘাঁ আছে, যিটো মূৰৰ তালুৰ সন্মুখত বাওঁফালে মধ্যৰেখাৰ পৰা ৪চে.মি. বাওঁফালে আৰু বাওঁফালৰ ৰিংবোৰৰ পৰা ১০চে.মি. ওপৰত আছিল।

৪. ৭ টা চিলাইৰে ৭চে.মি. দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ, যি বাওঁফালৰ পেৰিটেল ইমিনেন্সৰ ওপৰত মধ্যৰেখাৰ ১চে.মি. বাওঁফালে আৰু বাওঁ কাণৰ পৰা ১০চে.মি. ওপৰত বিদ্যমান আছিল।

৫. ৫ টা চিলাইৰে ৬চে.মি. দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ, যি বাওঁফালৰ পেৰিটেল অঞ্চলৰ ওপৰত মধ্যৰেখাৰ ১চে.মি. বাওঁফালে আৰু বাওঁ চেলাউৰিৰ পৰা ১৭চে.মি. পিছফাললৈ আছিল।

৬. ৪ টা চিলাইৰে ৫চে.মি. দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ, যি পেৰিটেল এলেকাৰ মধ্যৰেখাত একাবেকাকৈ ৫নং আঘাতৰ পৰা ২ চে.মি. আগলৈ আছিল।

৭. একক চিলাইৰ সৈতে ৩ চে.মি. দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ, যি তালুৰ সন্মুখৰ ফালে সোঁ ভ্ৰুৰ ১০ চে.মি. পিছলৈ আৰু মধ্যৰেখাৰ ৩ চে.মি. সোঁফালে আছিল।

৮. একক চিলাইৰ সৈতে ২ চেমি দৈৰ্ঘ্যৰ চিলাই কৰা ঘাঁ হৈছে, যি মূৰৰ তালুৰ সন্মুখৰ ফালে সোঁ ভ্ৰুৰ ৯ চে.মি. ওপৰলৈ আৰু মধ্যৰেখাৰ ৬ চে.মি. সোঁফালে আছিল।

৯. চাৰিটা চিলাইৰ সৈতে ৫ চে.মি. দীঘল চিলাই কৰা ঘাঁ, যি সোঁফালে সন্মুখত সোঁ ভ্ৰুৰ ১ চে.মি. ওপৰলৈ আৰু মধ্যৰেখাৰ ১ চে.মি. সোঁফালে আৰু সোঁ চেলাউৰিৰ ১২ চে.মি. পিছলৈ আছিল।

১০. সোঁফালৰ তালুৰ পেৰিটেল এমিনেন্সৰ ওপৰত ১৫ টা চিলাইৰ সৈতে এটা ডাঙৰ ১০চে.মি. বহল অনিয়মীয়া চিলাই কৰা ঘাঁ।

১১. ৯টা চিলাইৰ সৈতে ১১চে.মি. দৈৰ্ঘ্যৰ চিলাইৰ ঘাঁ, যি অক্সিপিটেল এলেকাৰ মধ্যৰেখাত আছিল।

১২. সোঁহাতখন থেতেলা খাইছিল আৰু ফুলিছিল।

১৩. বাওঁহাতখন থেতেলা খাইছিল আৰু ফুলিছিল।

১৪. বাওঁ তৰ্জনী আঙুলি (প্ৰক্সিমাল ফালাঞ্জ) ভাঙিছিল লগতে থেতেলা খাইছিল।

১৫. সোঁ বুঢ়া আঙুলিৰ ডিষ্টেল ফালাঞ্জ (ডৰচাম) আঘাত প্ৰাপ্ত হোৱা আৰু নখ নথকা।

১৬. বাওঁ কেঞ্চা আঙুলিৰ ডৰচামৰ ওপৰত ০.৫ চে.মি. × ০.২ চে.মি.× হাড়ৰ গভীৰতাৰ আকাৰৰ আঘাত আছিল।

১৭. বাওঁফালৰ আঁঠুত ১.৫ চে.মি. ×১.৫ চে.মি. ঘহঁনি খোৱা চিন আছিল।

১৮. ৫ম ইন্টাৰকোস্টাল স্থানৰ বুকুৰ বাওঁ লেটাৰেল ৱালৰ মিডাক্সিলেৰী ৰেখাত ৩চে.মি. × ০.৫চে.মি. আকাৰৰ থেতেলা খোৱা আঘাত।

ডিঙিৰ চাৰিওফালে কোনো লিগাচাৰৰ চিহ্ন চিনাক্ত কৰা হোৱা নাছিল। দাইচেকচন(বিভাজন)-ত ডিঙিৰ অন্তৰ্নিহিত কোষকলাবোৰ স্বাস্থ্যকৰ পোৱা যায়।

ক্ৰেনিয়াম(লাওখোলা) আৰু স্পাইনেল কেনেল (মেৰুদণ্ডৰ খাল)- মূৰৰ তালু বাহ্যিকভাৱে বৰ্ণনা কৰা অনুসৰি আছিল। বিভাজনত গোটেই মূৰৰ তালুখন থেতেলা খাইছিল আৰু সোঁ পেৰিটেল এলেকাত কন্টুচড হেমাটোমা (মৰাতেজ বান্ধা) গঠন পোৱা গৈছিল। লাওখোলা আৰু কশেৰুকা স্বাস্থ্যকৰ আছিল। মেমব্ৰেন আৰু ব্ৰেইন-পেলে, স্পাইনেল কৰ্ড-পৰীক্ষা কৰা হোৱা নাই। লিভাৰ ভৰ্ত্তি হৈ আছিল, দুয়োটা বৃক্ক ভৰ্ত্তি হৈ আছিল, মূত্ৰাশয়-শ্লেষ্মা ভৰ্ত্তি হৈ আছিল। জৰায়ু-স্বাস্থ্যকৰ আছিল, আন অংগবোৰো স্বাস্থ্যকৰ আছিল। ডিঙিত লিগাচাৰৰ চিহ্ন বৰ্ণনা কৰা অনুসৰি আছিল।

এব্দমেন (তলপেট):- বেৰ স্বাস্থ্যকৰ। পেৰিটোনিয়াম নিস্তেজ আছিল। মুখ, ফেৰিংক্স আৰু ইচোফেগাচ মিউকাচ শেঁতা আছিল আৰু আনবোৰ স্বাস্থ্যৱান আছিল। পাকস্থলীৰ- মিউকাচ শেঁতা লগতে তেজৰ সৈতে মিহলি তৰল দ্ৰব্যৰে ভৰি আছিল। ক্ষুদ্ৰ তন্ত্ৰ- মিউকাচ শেঁতা। বৃহদান্ত্ৰ-মিউকাচ শেঁতা লগতে গেছ আৰু শৌচৰ পদাৰ্থৰে ভৰি আছিল।

থোৰেক্স (বক্ষ):- বেৰ বৰ্ণনা কৰা অনুসৰি আছিল। ৰিব (কামিহাড়), কাৰ্টিলেজ (কোমলাস্থি)- স্বাস্থ্যকৰ লগতে প্লেউৰা শেঁতা আছিল। লেৰিংছ আৰু ট্ৰেকিয়া-মিউকাচ শেঁতা আৰু ট্ৰেকিয়াৰ

মিউকাচত গোট মৰা তেজ দেখা যায়। দুয়োটা হাঁওফাঁও শেঁতা আছিল। হৃদযন্ত্ৰ-স্বাস্থ্যকৰ আৰু খালী। ভেচেলবোৰ শেঁতা আছিল।

২২) চিকিৎসকে মতপ্ৰকাশ কৰিছিল যে, জীৱিতকালত শৰীৰৰ ওপৰত হোৱা আঘাতৰ পিছত ৰক্তক্ষৰণ আৰু শ্বকৰ ফলত মৃত্যু হৈছিল, যি আঘাত ভোটা অস্ত্ৰৰ ফলত হৈছিল আৰু প্ৰকৃততে হমিচাইডেল (মাৰাত্মক) আছিল।

২৩) বাদী নং ৬ হৈছে আৰক্ষী কনিষ্টবল, যিজনে জি.এম.চি.এইচ.-ৰ পৰা মৃতদেহটো লৈ গৈছিল।

২৪) বাদী নং ৭ হৈছে- কাৰ্যবাহী দণ্ডাধীশ, যিজনে মৃতকৰ চুৰতহাল কৰিছিল। তেওঁৰ মতে, চুৰতহালৰ সময়ত, মুৰত ১৪টা কটা চিহ্ন বিচাৰি পাইছিল। বাওঁহাতখন ফুলি গৈছিল আৰু মৃতকৰ সোঁহাতৰ বুঢ়া আঙুলি এটাত আঘাত পাইছিল।

২৫) বাদী নং ৮ হৈছে- এছ.বি. মুখ্য কাৰ্যালয়ৰ আৰক্ষী পৰিদৰ্শক। তেওঁৰ মতে আঙুলিৰ চাপৰ প্ৰতিবেদন সংগ্ৰহ আৰু গোচৰপঞ্জী পৰ্যৱেক্ষণৰ পিছত অভিযুক্ত বিমল বনিয়া আৰু অনুৰাগ গোস্বামীৰ বিৰুদ্ধে অভিযোগপত্ৰ, প্ৰদৰ্শক নং ১২ দাখিল কৰিছিল।

২৬) বাদী নং ৯ পুলিচৰ সহকাৰী পৰিদৰ্শক- শ্ৰী চন্দী সিনহা-ই মৃতকৰ বক্তব্য নথিভুক্ত কৰিছিল। তেওঁৰ জবানবন্দীত এইকথা প্ৰকাশ হৈছে যে, ২৫-১২-২০১২-ত তেওঁ দিচপুৰ আৰক্ষী থানাত কৰ্মৰত আছিল। সেইদিনা, সন্ধিয়া প্ৰায় ৭ বজাত তেওঁ সহযোগী কৰ্মচাৰীৰ সৈতে দিচপুৰ অঞ্চলত টহলত আছিল। সেইসময়ত তেওঁ আৰক্ষী থানাৰ পৰা এটা ফোন কল পাইছিল যে, মোনাল টাৱাৰৰ প্ৰথম মহলাত ঘটনা এটা সংঘটিত হৈছিল। উক্ত তথ্য লাভ কৰাৰ পিছত, তেওঁ ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু ১ম মহলাত এজন ব্যক্তিৰ ৰক্তক্ষৰণ হোৱা দেখিছিল। তাৰপিছত, তেওঁ আঘাতপ্ৰাপ্ত ব্যক্তি-খগেন বৰ্মনৰ সাক্ষ্য লিপিবদ্ধ কৰে। সেই সময়ত, ঘটনাৰ স্থানত সহযোগী কৰ্মচাৰীৰ সহ দিচপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া

উপস্থিত হৈছিল, তেওঁৰ নিৰ্দেশনা অনুসৰি চিকিৎসাৰ বাবে আঘাতপ্ৰাপ্ত ব্যক্তিজনক চিকিৎসালয়লৈ লৈ যোৱা হ'ল। ঘটনাৰ স্থানত লিপিবদ্ধ কৰা ভুক্তভোগীৰ সাক্ষ্য (প্ৰদৰ্শক ১৩) পৃথক পৃষ্ঠাত লোৱা হোৱা নাছিল, যি তেওঁ নিজ হাতে লিপিবদ্ধ কৰিছিল।

২৭) জেৰাত, বাদী নং ৯-য়ে কৈছিল যে, তেওঁ সন্ধিয়া প্ৰায় ৭ বজাত তথ্য লাভ কৰিছিল। ৰাতি প্ৰায় ৮ বজাত তেওঁ আহতসকলৰ সাক্ষ্য লিপিবদ্ধ কৰিছিল আৰু সেই সময়ত, মৃতব্যক্তিজন সজ্ঞানে আছিল। গোচৰপঞ্জীত কোনো পেজিনেচন(পৃষ্ঠা নং) নাছিল। গোচৰপঞ্জীত মেনিপুলেটেড ডকুমেন্ট (হেৰফেৰ কৰা নথি) আছিল- বোলা কথা বাদী নং ৯-এ অস্বীকাৰ কৰিছিল।

২৮) বাদী নং ১০ হৈছে অনুসন্ধানকাৰী বিষয়া। তেওঁ সাক্ষ্যত কয় যে, ২৫.১১.২০১২ তাৰিখে সন্ধিয়া প্ৰায় ৬.৩০ বজাত তেওঁক ফোনযোগে দিচপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰিছিল- কিছুমান দুৰ্বৃত্তই অবৈধভাৱে মোনাল টাৱাৰৰ এছ. টেল অফিচৰ ১ম মহলাত প্ৰৱেশ কৰিছিল আৰু কৰ্তব্যৰত নিৰাপত্তাৰক্ষীক আক্ৰমণ কৰি, উক্ত কাৰ্যালয়ৰ পৰা লেপটপটো কাঢ়ি নিবলৈ চেষ্টা কৰিছিল। তথ্য পোৱাৰ পিছত তেওঁ দিচপুৰ আৰক্ষী থানাৰ ক্ষেত্ৰাধিকাৰৰ অধীনৰ মোনাল টাৱাৰলৈ আগবাঢ়িছিল, ঘটনাস্থলীত বাদী নং ৯ সহ আন আৰক্ষী লগ পাইছিল। সেই সময়ত, ইতিমধ্যে ভুক্তভোগীক চিকিৎসাৰ বাবে জি.এম.চি.এইচ.-লৈ যোৱা হৈছিল। তেওঁ মজিয়াৰ সকলো ঠাইতে তেজৰ দাগ লক্ষ্য কৰিলে। তেওঁ গৈ পোৱাৰ লগে লগে, চি.আই.ডি. (অপৰাধ অনুসন্ধানকাৰী বিভাগ) বিষয়াসকল ফটোগ্ৰাফাৰৰ সৈতে তাত উপস্থিত হৈছিল। তেওঁলোকে ঘটনাৰ স্থান পৰীক্ষা কৰা আৰম্ভ কৰিলে। তাৰ পিছত, তেওঁ সাক্ষীসকলৰ উপস্থিতিত তেজলগা সামগ্ৰীবোৰ জব্দ কৰে; প্ৰদৰ্শক ১- জব্দ তালিকা। তেওঁ ঘটনাৰ স্থানৰ এক নক্সা প্ৰস্তুত কৰে; প্ৰদৰ্শক ১৮। চি. আই. ডি. বিষয়াসকলে ঘটনাৰ স্থানৰ

পৰা আঙুলিৰ চাপৰ চিনো লৈছিল। পৰৱৰ্তী তাৰিখত, মনমোহন বৰ্মনে এখন এজাহাৰ দাখিল কৰিছিল; প্ৰদৰ্শক ২। এজাহাৰ দাখিল কৰাৰ পিছত তদন্ত কৰিবলৈ তেওঁক দায়িত্ব দিয়া হৈছিল। পিছদিনা ৰাতিপুৱা, দুজন সাক্ষী- দেৱজিৎ ৰাজখোৱা আৰু কুমুদ ভৰালী আৰক্ষী চকীত উপস্থিত হৈছিল আৰু তেওঁ তেওঁলোকৰ বিবৃতি লিপিবদ্ধ কৰিছিল। এজাহাৰ দাখিল কৰাৰ আগতে, তদন্তটো ২৫.১১.২০২১-ৰ দৈনিক পঞ্জী নং ১৭২৫-ৰ আধাৰত আৰম্ভ কৰা হৈছিল। এজাহাৰত, অনুৰাগ গোস্বামীৰ নাম মুখ্য অভিযুক্ত হিচাপে প্ৰকাশ কৰা হৈছে। পৰৱৰ্তী সময়ত, তেওঁক উত্তৰ লখিমপুৰ জিলাৰ অন্তৰ্গত নাৰায়ণপুৰ আৰক্ষী থানাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। যিহেতু, বিমল বনিয়াৰ নামটো দুজন অপৰাধীৰ এজন হিচাপে উত্থাপিত হৈছিল, সেয়ে আৰক্ষীয়ে আৰক্ষীৰ সন্মুখত হাজিৰ হ'বলৈ তেওঁলৈ খবৰ পঠিয়াইছিল। সেই অনুসৰি, বিমল বনিয়া আৰক্ষী থানাৰ সন্মুখত উপস্থিত হৈছিল আৰু তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে। ২৬-১১-২০১২ তাৰিখে, ভুক্তভোগী খগেন বৰ্মনৰ জি.এম.চি.এইচ.-ত মৃত্যু হয়। কাৰ্যবাহী দণ্ডাধীশ দ্বাৰা চুৰৎহালৰ কাম কৰা হৈছিল আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছিল। তেওঁ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন সংগ্ৰহ কৰে আৰু তেওঁক বদলি কৰা বাবে তেওঁ গোচৰপঞ্জী দিচপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া-ক হস্তান্তৰ কৰিলে।

২৯) তেওঁৰ জেৰাত বাদী নং ১০-এ কৈছিল যে, দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী)খন গোচৰপঞ্জীত অন্তৰ্ভূক্ত কৰা হৈছে। তেওঁ ক'ব নোৱাৰিলে যে, অভিযোগপত্ৰৰ সৈতে এইখন আদালতত দাখিল কৰা হৈছিল নে নাই। বাদী নং ১০-এ স্বীকাৰ কৰিছিল যে, গোচৰপঞ্জীত পৃষ্ঠা নং দিয়া হোৱা নাছিল।

৩০) এইটো সত্য যে, ঘটনা সংঘটিত সময়ত মৃতব্যক্তিজন দিচপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মোনাল টাৱাৰৰ এছ. তেল কাৰ্যালয়ৰ কৰ্মচাৰী আছিল। আপীলকাৰীৰ বিৰুদ্ধে অভিযোগটো এইয়ে যে, ঘটনাটোৰ তাৰিখত তেওঁ এছ.

টেল কাৰ্যালয়লৈ আহিছিল আৰু কম্পিউটাৰ ছেটবোৰ চুৰি কৰিবলৈ চেষ্টা কৰিছিল আৰু যেতিয়া মৃতব্যক্তিজনে তেওঁক বাধা দিবলৈ চেষ্টা কৰিছিল, অভিযুক্ত/আপীলকাৰীয়ে বিমল বনিয়া নামৰ আন এজন ব্যক্তিৰ সৈতে মিলি তেওঁক আক্রমণ কৰিছিল। অৱশ্যে, মৃতকৰ বাহিৰে ঘটনাটোৰ কোনো প্রত্যক্ষদর্শী সাক্ষী নাই।

৩১) আপীলকাৰীৰ বিদ্বান জ্যেষ্ঠ পৰামৰ্শদাতাই এইদৰে কৈছে যে, ইখনৰ লগত সিখনৰ মিল নথকা একাধিক দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী) আছে সেয়েহে, দায়িং-দিক্লাৰেচন দোষী সাব্যস্ত হোৱাৰ আধাৰ হ'ব নোৱাৰে, কিয়নো বিচাৰ আদালতত আন অভিযুক্তক ইতিমধ্যে নিৰ্দোষী সাব্যস্ত কৰা হৈছে।

৩২) আপীলকাৰীৰ বিদ্বান জ্যেষ্ঠ পৰামৰ্শদাতাইও আঙুলিয়াই দিছিল যে, বাদী নং ৯-ৰ মতে, ঘটনাৰ স্থানত ভুক্তভোগীৰ বক্তব্য লিপিবদ্ধ কৰা হৈছিল, কিন্তু প্ৰদৰ্শক ১৩-এ প্ৰকাশ কৰে যে, এই কেইখন জি.এম.চি.এইচ.-ত ৰেকৰ্ড কৰা হৈছে আৰু গোচৰপঞ্জীত পৃষ্ঠা নং দিয়া হোৱা নাই। তেওঁ এইকথা কৈছে যে, ফৌজদাৰী কাৰ্যবিধি-ৰ ধাৰা নং ১৭২ অনুসৰি, গোচৰপঞ্জীত পৃষ্ঠা নং দিয়াতো বাধ্যতামূলক, যিহৰ অনুসৰণ বৰ্তমান ক্ষেত্ৰত কৰা হোৱা নাই। এনে সত্যৰ অধীনত, আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ বাবে দায়িং-দিক্লাৰেচন বিবেচনা কৰিব নোৱাৰি।

৩৩) এইকথাও আপীলকাৰীৰ যুক্তি হ’ব যে, দণ্ডাধীশে লিপিবদ্ধ কৰা নাছিল বাবে এইখনক সন্দেহজনক বুলি গণ্য কৰিব লাগিব আৰু বৰ্জন কৰিব লাগে।

৩৪) এই যুক্তি সঁচা যে, আৰক্ষী বিষয়াই (বাদী নং ৯) দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰিছে। বাদী নং ৯-এ দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰাৰ পিছত ঘটনাটোৰ পিছদিনা মৃতব্যক্তিজনৰ মৃত্যু হয়। এজন দণ্ডাধীশে লিপিবদ্ধ কৰিব পাৰে আৰু দণ্ডাধীশক দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰিবলৈ মাতিব লাগিছিল। গোচৰৰ নথিৰ পৰা এইটোও প্ৰকাশ পায় যে, গোচৰপঞ্জীত কোনো পৃষ্ঠা নং

নাছিল। দায়িং-দিক্লাৰেচনখন পৃথক পৃষ্ঠাত লিপিবদ্ধ কৰা হোৱা নাছিল, গোচৰপঞ্জীতে বাদী নং ৯-ৰ হস্তাক্ষৰত লিপিবদ্ধ কৰা হৈছিল। অৱশ্যে, দায়িং-দিক্লাৰেচন খন নিজেই এজাহাৰ হিচাপে গণ্য কৰিব পাৰি আৰু দায়িং-দিক্লাৰেচন আধাৰত গোচৰটো পঞ্জীয়ন কৰিব পাৰি। বাদী নং ২-ৰ দ্বাৰা দাখিল কৰা এজাহাৰৰ আধাৰত, মৃতকৰ মৃত্যুৰ পিছদিনা আন এজন আৰক্ষী বিষয়াই তদন্ত কৰিছিল।

৩৫) এইকথাও মনযোগদি চাব লাগিব যে, আৰক্ষী বিষয়াই লিপিবদ্ধ কৰা দায়িং-দিক্লাৰেচনখন, দণ্ডাধীশৰ দ্বাৰা লিপিবদ্ধ কৰা দায়িং-দিক্লাৰেচনৰ অবৰ্তমানত গ্ৰহণ কৰিব পাৰি নে নাই আৰু দোষী সাব্যস্ত কৰোতে বিদ্বান বিচাৰ আদালতৰ দ্বাৰা দায়িং-দিক্লাৰেচন একমাত্ৰ আধাৰ হ'ব পাৰেনে? উক্ত বিষয়ত এই পৰ্যায়ত ন্যায়শাস্ত্ৰৰ বিবেচনা কৰাটো উপযুক্ত হ'ব।

৩৬) *লক্ষ্মণ বনাম মহাৰাষ্ট্ৰ ৰাজ্য,* প্ৰতিবেদন নং- ২০০২ এ. এল. এল. এম. আৰ. (ক্ৰি) ২২৫৯-ত এইকথা কোৱা হৈছে যে, দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী)দণ্ডাধীশৰ দ্বাৰা ঘোষণা কৰাটো এক সতৰ্কতাৰ নিয়ম। এইনিয়ম সচৰাচৰ হ'লেও, সেই বিষয়ত কোনো আইনৰ প্ৰয়োজন নাই। এই দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰাৰ বাবে নিৰ্ধাৰিত বিধিবদ্ধ পদ্ধতিৰ প্ৰয়োজন নাই। প্ৰমাণিক মূল্য আৰু ইয়াৰ সৈতে দিবলগীয়া মনযোগ প্ৰতিটো ঘটনাৰ পৰিস্থিতিৰ তথ্য সাপেক্ষে নিৰ্ভৰ কৰিবলগীয়া হয়। আদালতত সাক্ষ্য দিয়া ব্যক্তিজনৰ মানসিক অৱস্থাৰ ওপৰত সন্তুষ্ট হোৱাটো প্ৰয়োজনীয়। সেয়েহে, যদিও দণ্ডাধীশৰ দ্বাৰা লিপিবদ্ধ কৰা নহয় বা চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰা বুলি অনুমোদন নাথাকিলেও, যদি লিপিবদ্ধ কৰা ব্যক্তিজনৰ মৃত্যুৰ অৱস্থাৰ ক্ষেত্ৰত সন্তুষ্ট হয় আৰু যদি এইটো সত্য বুলি পোৱা গৈছে, তেন্তে আদালতে গ্ৰহণ কৰিব পাৰে।

৩৭) *ৰাজ্য বনাম চিঙ্গাৰী,* প্ৰতিবেদন নং-(২০০২) ৬ কে.এল.জে. ৫২ -ত দায়িং-দিক্লাৰেচন(মৰাৰ আগে আগে দিয়া জবানবন্দী)-ক কৰ্ণাটক উচ্চ

ন্যায়ালয়ৰ খণ্ড পীঠৰ সন্মুখত প্ৰত্যাহ্বান জনোৱা হৈছিল, কিয়নো সাক্ষ্য দিয়াৰ বাবে ভুক্তভোগীৰ সুস্থতাৰ সম্পৰ্কে নিৰ্ধাৰিত পদ্ধতিত চিকিৎসকৰ প্ৰমাণপত্ৰ নাছিল। এই কথা উপস্থাপিত হৈছিল যে, য'ত দায়িং-দিক্লাৰেচনে আদালতত সত্যতা, বিশ্বাসযোগ্যতা আৰু লগতে গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত আস্থা যোগাব পাৰে, একমাত্ৰ কাৰিকৰী ত্ৰুটিয়ে ইয়াৰ প্ৰমাণিক মূল্য নষ্ট নকৰিব। তেনেক্ষেত্ৰত চিকিৎসকৰ প্ৰমাণপত্ৰৰ অবৰ্তমানত কৰা হ'ব। সেই ভিত্তিত কৰা দোষীসাব্যস্তকৰণ সঠিকভাৱে কৰা হৈছিল বুলি মান্য হ'ব। সেই ঘটনাটো ২৫.০৪.১৯৯৪ তাৰিখে সংঘটিত হৈছিল। মৃতব্যক্তিজনৰ মৃত্যু বন্দুকৰ গুলীৰ আঘাতত ২৭.০৪.১৯৯৪-ত হৈছিল। তেওঁৰ সাক্ষ্যত তিনিজন অভিযুক্তৰ বিষয়ে কৈছিল। যি কৰ্তব্যৰত চিকিৎসকৰ চেংচন (সীমাবদ্ধতা) আৰক্ষী বিষয়াৰ দ্বাৰা নথিভুক্ত কৰাৰ পিছত লিপিবদ্ধ কৰা হৈছিল। ডাক্তৰে ৰোগী পৰীক্ষা কৰি মতপ্ৰকাশ কৰিছিল যে, সাক্ষ্য দিব পৰাকৈ তেওঁ সুস্থ অৱস্থাত আছিল। দায়িং-দিক্লাৰেচন লগত নিৰ্ধাৰিত পদ্ধতিৰ প্ৰমাণপত্ৰ নাছিল। চিকিৎসকৰ প্ৰমাণপত্ৰ দায়িং-দিক্লাৰেচনৰ লগত থকা উচিত আছিল বুলি চিকিৎসকৰ অনুমোদন নাকচ কৰা হৈছিল।

৩৮) মাননীয় উচ্চতম ন্যায়ালয়ে উপস্থাপন কৰে যে, দায়িং-দিক্লাৰেচনৰ লিপিবদ্ধ কৰাৰ দ্বাৰা আদালতত দায়িং-দিক্লাৰেচনৰ প্ৰতি সত্যতা, বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতাৰ যোগাই, সেয়ে কেৱল প্ৰমাণপত্ৰৰ অবৰ্তমানত দায়িং-দিক্লাৰেচন প্ৰত্যাখ্যান কৰিবলৈ যথেষ্ট নহয়।

৩৯) *বিদ্যা দেৱী বনাম হাৰিয়ানা ৰাজ্য*, প্ৰতিবেদন নং- (২০০৪) ৯ এছ.চি.চি. ৪৭৬ : এ.আই.আৰ. ২০০৪ এছ.চি. ১৭৫৭-ৰ মতে এজন আৰক্ষী বিষয়াৰ দ্বাৰা লিপিবদ্ধ কৰা আৰু এজন চিকিৎসকৰ দ্বাৰা সমৰ্থিত দায়িং-দিক্লাৰেচন গ্ৰহণ কৰা হৈছিল, যদিও মৃতব্যক্তিজন জীয়াই থকা চাৰিদিনত দণ্ডাধীশৰ দ্বাৰা কোনো দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰা হোৱা নাছিল। তেনে ক্ষেত্ৰত মৃতব্যক্তিগৰাকীয়ে কৈছিল যে, স্বামী, শহুৰ, শাহু,

ননদ আৰু দেওৰে যৌতুকৰ সন্দৰ্ভত মানুহগৰাকীক অত্যাচাৰ কৰিছিল। তাই আগতে আৰক্ষীক এখন লিখিত এজাহাৰ দাখিল কৰিছিল। ১৬.১১.১৯৯৩ তাৰিখে ৰাতিপুৱা প্ৰায় ১০:৩০ বজাত, স্বামী আৰু শহুৰেক লগত নথকা অৱস্থাত, মানুহগৰাকীক শাহু, ননদ আৰু দেওৰে জ্বলাই দিছিল। মানুহগৰাকীৰ মাকে তেওঁক চিকিৎসালয়লৈ স্থানান্তৰ কৰিলে। চিকিৎসা বিষয়াজনে আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী চিকিৎসালয়ত উপস্থিত হৈছিল। চিকিৎসা বিষয়াজনে প্ৰথমতে মতপ্ৰকাশ কৰিছিল যে, ভুক্তভোগীগৰাকী বক্তব্য দিবলৈ উপযুক্ত অৱস্থাত নাছিল। পিছত সন্ধিয়ালৈ, লিখিত অনুৰোধলৈ আৰক্ষীয়ে আকৌ এবাৰ চিকিৎসা বিষয়াৰ সৈতে যোগাযোগ কৰিলে। সেইবাৰ ডাক্তৰে মতপ্ৰকাশ কৰিছিল যে, ভুক্তভোগীগৰাকী সাক্ষ্য দিবলৈ উপযুক্ত আছিল। আৰক্ষী বিষয়াই ভুক্তভোগীৰ বক্তব্যটো লিপিবদ্ধ কৰাৰ আগতেই দণ্ডাধীশৰ সৈতে যোগাযোগ কৰিছিল। তেওঁ গোচৰটো পঞ্জীয়ন কৰাৰ আগতে কোনো বক্তব্য লিপিবদ্ধ কৰিবলৈ অস্বীকাৰ কৰিছিল। সেয়েহে আৰক্ষী বিষয়া নিজেই ভুক্তভোগীগৰাকীৰ বক্তব্য লিপিবদ্ধ কৰিছিল। বক্তব্যত ভুক্তভোগীগৰাকীয়ে গোটেই পৰিয়ালটোৰ বিৰুদ্ধে যৌতুকৰ দাবী কৰা বুলি অভিযোগ কৰিছিল। জুই লগাই দিয়াৰ সন্দৰ্ভত পৰিয়ালৰ কেৱল তিনিজন সদস্যৰ বিৰুদ্ধে অভিযোগ দিছিল। অৱশেষত, ২০.১১.১৯৯৩ তাৰিখে ভুক্তভোগীগৰাকীৰ মৃত্যু হয়। অভিযোগকাৰীয়ে এজাহাৰৰ ওপৰত নিৰ্ভৰ কৰিছে, যিখন দায়িং-দিক্লাৰেচন হিচাপে পঞ্জীয়ন কৰা হৈছিল। এইকথা উপস্থাপন কৰা হৈছিল যে, ১৭-১১-১৯৯৩-ত আৰক্ষী বিষয়াৰ দ্বাৰা লিপিবদ্ধ কৰা দায়িং-দিক্লাৰেচন গ্ৰহণ কৰিব পৰা নগ'ল, কিয়নো সাক্ষ্য দিবলৈ ভুক্তভোগীগৰাকী সুস্থ আৰু সবল নাছিল, লগতে আৰক্ষী বিষয়াৰ দ্বাৰা দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰা হৈছিল। যিহেতু, চিকিৎসকৰ মতামত পোৱা গৈছিল, যি মৃতকৰ দ্বাৰা স্বাক্ষৰ কৰা হৈছিল আৰু সেয়েহে আসোঁৱাহ ৰহিত আছিল বুলি ন্যায়ালয়ে মত দিয়ে।

৪০) *তেজৰাম, পিতা- উকান্দৰাও পাটিল বনাম মহাৰাষ্ট্ৰ,* প্ৰতিবেদন নং- ২০০৯ এ.এল.এল. এম. আৰ. (ক্ৰি) ১০৪৭-ত এইকথা উপস্থাপন হৈছিল যে, যদিও দায়িং-দিক্লাৰেচনটো বিশেষ দণ্ডাধীশৰ দ্বাৰা লিপিবদ্ধ কৰা হোৱা নাছিল, কিন্তু যদি অন্যথা নিৰ্ভৰযোগ্য হ'লে, এইখন গ্ৰহনযোগ্য হয় বুলি গণ্য কৰিব পাৰি। এইক্ষেত্ৰত অভিযুক্তজনে সুৰাপান কৰি ঘৰলৈ আহিছিল আৰু শাহুৱেকক ঘৰত দেখি তেওঁৰ খঙ উঠিছিল, লগতে পত্নী আৰু তাইৰ মাকক উৎপীড়ন কৰিছিল আৰু তেওঁৰ পত্নীৰ ওপৰত কেৰাচিন ঢালি জুই লগাই দিছিল। মাক লগতে মালিকৰ ঘৰৰ মহিলাগৰাকীয়ে হস্তক্ষেপ কৰি তাইক বচাবলৈ চেষ্টা কৰিছিল। এই ঘটনাটোত তেওঁলোক সকলোৱে আঘাতপ্ৰাপ্ত হৈছিল। বিশেষ ন্যায়িক দণ্ডাধীশে তেওঁৰ শাহুৱেকৰ দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰিছিল, কিন্তু পত্নীৰ কৰা নাছিল। পত্নীৰ বক্তব্যটো আৰক্ষী বিষয়াই লিপিবদ্ধ কৰিছিল, যিয়ে চিকিৎসকৰ পৰা শাৰীৰিক আৰু মানসিক অৱস্থাৰ প্ৰমাণপত্ৰ লাভ কৰাত ব্যৰ্থ হৈছে। দুয়োটা গুৰুত্বপূৰ্ণ প্ৰয়োজনৰ অনুপস্থিতিতো সামগ্ৰিকভাৱে প্ৰমাণবোৰ বিবেচনা আৰু উপস্থাপন কৰাৰ পিছত- *পি.ভি. ৰাধাকৃষ্ণণ বনাম কৰ্ণাটক ৰাজ্য,* (২০০৩) ৬ এছ.চি.চি. ৪৪৩: এ.আই.আৰ. ২০০৩ এছ.চি. ২৮৫৯ আৰু *লক্ষ্মণ বনাম মহাৰাষ্ট্ৰ,* (২০০২) ৬ এছ.চি.চি. ৭১০: এ.আই.আৰ. ২০০২ এছ.চি. ২৯৭৩-গোচৰত ভিত্তি কৰি পত্নীৰ হত্যাকাণ্ড সম্বন্ধীয় মৃত্যুৰ প্ৰমাণ কৰা দায়িং-দিক্লাৰেচন গ্ৰহণ কৰিছিল।

৪১) *লক্ষ্মণৰ গোচৰ* (সুপ্ৰা)-ত উচ্চতম ন্যায়ালয়ৰ পৰ্যৱেক্ষণ অনুসৰি মেজিষ্ট্ৰেট, চিকিৎসকে বা এজন আৰক্ষী বিষয়াই দায়িং-দিক্লাৰেচন লিপিবদ্ধ কৰিব পৰা কাৰ্য বিবেচনা কৰা হৈছে। আৰক্ষী বিষয়াই লিপিবদ্ধ কৰা দায়িং-দিক্লাৰেচন স্বীকাৰ কৰিলে কোনো আইনী বাধা নাছিল- মাননীয় উচ্চতম ন্যায়ালয়ৰ পৰ্যৱেক্ষণেই বৰ্তমান ক্ষেত্ৰত খগেন বৰ্মনৰ দায়িং-দিক্লাৰেচন গ্ৰহণ কৰাত আমাৰ পথ প্ৰদৰ্শন হওঁক। ফলস্বৰূপে, বৰ্তমান

ক্ষেত্ৰত উল্লেখ কৰা অনুসৰি, আমি সন্তুষ্ট যে, দণ্ডাধীশে লিপিবদ্ধ নকৰিলেও দায়িং-দিক্লাৰেচনো গ্ৰহণ কৰিব পাৰে, যদিহে গোচৰটোৰ আন তথ্য আৰু পৰিস্থিতিয়ে ইয়াৰ সত্যতা প্ৰতিফলন কৰে। এনে পৰিস্থিতিত এইখন দোষী সাব্যস্ত কৰাৰ আধাৰ ৰূপে গ্ৰহন কৰাত কোনো আইনী বাধা নাথাকিব।

৪২) আমি এই ঘটনাৰ তথ্যবোৰলৈ ঘূৰি যোৱাৰ আগতে *সুভাষ চনি বনাম মধ্য প্ৰদেশ ৰাজ্য,* প্ৰতিবেদন নং-(২০০৯) ৬ এছ.চি.চি. ৬৪৭-ৰ উল্লেখ কৰিব পাৰোঁ যে, য'ত দায়িং-দিক্লাৰেচন গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাবোৰ নিৰ্ধাৰণ কৰা হৈছে:

১. দায়িং-দিক্লাৰেচনৰ কোৰোবোৰেচন (সমৰ্থন)-ৰ প্ৰয়োজন নাই।

২. যদি সঁচা আৰু স্বেচ্ছামূলক হ'লে, কনভিকচন(দোষী সাব্যস্ত কৰা)-ৰ আধাৰ ৰূপে কোৰোবোৰেচন (সমৰ্থন)-ৰ অবিহনেও গ্ৰহণ কৰিব পাৰি।

৩. আদালতে দায়িং-দিক্লাৰেচন সিদ্ধান্ত ল'বলৈ সাৱধানে পৰ্যবেক্ষণ কৰিব লাগিব যে, মৃতব্যক্তিজনে দায়িং-দিক্লাৰেচন দিবলৈ সুস্থ অৱস্থাত আছিল নে নাই।

৪. যদি সন্দেহ থাকে, তেন্তে ই কোৰোবোৰেচন (সমৰ্থন)-ৰ অবিহনে পদক্ষেপ ল'ব নালাগিব।

৫. যদি মৃতব্যক্তিজন অচেতন আছিল আৰু দায়িং-দিক্লাৰেচন দিবলৈ সমৰ্থ নহয়, তেন্তে সেইখন প্ৰত্যাখ্যান কৰিব লাগে।

৬. আসোঁৱাহপূৰ্ণ দায়িং-দিক্লাৰেচনে দোষী সাব্যস্ত হোৱাৰ আধাৰ গঠন কৰিব নোৱাৰে।

৭. কেৱল ঘটনাটোৰ বিশদ বিৱৰণী নথকাৰ বাবেই ইয়াক প্ৰত্যাখ্যান কৰিব নোৱাৰিব।

৮. কেৱল চমু বুলিয়েই এইখন বৰ্জন কৰিব নালাগে। আদালতত সাধাৰণতে মৃতকৰ সুস্থ অৱস্থাৰ ক্ষেত্ৰত চিকিৎসকৰ মতামতৰ ওপৰত

দৃষ্টি ৰাখে। কিন্তু, মৃতব্যক্তিজন সুস্থ মানসিক অৱস্থাত আছিল বুলি কোৱা এজন প্ৰত্যক্ষ সাক্ষীৰ বিৱৰণক চিকিৎসকৰ মতামতৰ ওপৰত অগ্ৰাধিকাৰ দিব পাৰি।

৯. যদি অভিযোগকাৰীৰ মত আৰু দায়িং-দিক্লাৰেচনৰ পাৰ্থক্য থাকে, তেন্তে দায়িং-দিক্লাৰেচন গ্ৰহণ কৰিব পৰা নাযাব।

১০. যেতিয়াই এটাতকৈ অধিক মন্তব্য দিয়া হয়, প্ৰথম মন্তব্যই অগ্ৰাধিকাৰ পাব। অৱশ্যে, যদি এখনতকৈ বেছি দায়িং-দিক্লাৰেচনৰ বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য হই, তেন্তে গ্ৰহনযোগ্য বুলি মান্য হ’ব।

৪৩) গোচৰটোত, চিকিৎসকজনে মৃতব্যক্তিজনক তেওঁৰ গাড়ীত চিকিৎসালয়লৈ লৈ গৈছিল। তেওঁ সাক্ষ্যত কৈছিল যে, মৃতব্যক্তিজনে উত্তৰত বন্ধুক আক্ৰমণকাৰীৰ নাম কোৱা শুনিছিল। ডাক্তৰজন স্বতন্ত্ৰ সাক্ষী আছিল। তেওঁৰ জবানবন্দী গ্ৰহণ কৰা হৈছিল। মৃতব্যক্তিজনৰ ভৰি আৰু উৰুত আঘাত প্ৰাপ্ত হৈছিল। এই কথাৰ অনুমান কৰিব পৰা গৈছিল যে, চেতনাৰ অভাৱ দ্ৰুতগতিত হ'ব। সেয়েহে, চিকিৎসালয়ত উপস্থিত হোৱাৰ আগতে দিয়া মৌখিক বিৱৰণী স্বীকাৰ কৰা হৈছে।

৪৪) ওপৰোক্ত আইনী প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত, মৃতকৰ দায়িং-দিক্লাৰেচনখন বিশ্বাসযোগ্য হয় নে নহয় সিদ্ধান্তত উপনীত হ'বলৈ সাক্ষীসকলৰ বক্তব্যত মনযোগ দিবলাগিব হৈছে। বাদী নং ২-ৰ মতে, তেওঁ মৃতকৰ আঘাত সম্পৰ্কে আৰু তেওঁক গুৱাহাটীৰ জি.এম.চি.এইচ.-ত ভৰ্তি কৰোৱা বিষয়ত গ’ম পাইছিল। তেওঁ চিকিৎসালয়লৈ গৈছিল আৰু সম্পৰ্কীয় ভায়েক অৰ্থাৎ মৃতকক বিচাৰি পাইছিল, মৃতকজন জৰুৰীকালীন বিভাগত চিকিৎসাধীন হৈ আছিল। সেইসময়ত সোধাত, মৃতব্যক্তিয়ে প্ৰকাশ কৰিছিল যে, অনুৰাগ গোস্বামী, মোনাল টাৱাৰৰ প্ৰাইভেট লিমিটেড কোম্পানীৰ এছ. টেল কাৰ্যালয়লৈ আহিছিল আৰু কাৰ্যালয়ৰ কম্পিউটাৰ ছেট চুৰি কৰাৰ চেষ্টা কৰিছিল, কিন্তু মৃতব্যক্তিজনে তেওঁক বাধা দিছিল আৰু তেতিয়া মৃতকক

তীখাৰ পাট আৰু সুৰাৰ খালী বটলৰে আক্ৰমণ কৰিছিল। অভিযুক্ত- বিমল বনিয়াই মৃতকক খালী সুৰাৰ বটলেৰে আক্ৰমণ কৰিছিল।

৪৫) বাদী নং২-ৰ সাক্ষ্যৰ পৰা প্ৰকাশ পায় যে, সেইসময়ত তেওঁ অৰ্থাৎ মৃতক সজ্ঞানে আছিল আৰু বাদী নং২-য়ে মূৰত আৰু শৰীৰৰ আন অংশত আঘাত লক্ষ্য কৰিছিল। বাদী নং ২-য়ে এইকথাও কৈছিল যে, মৃতকে ঘটনাৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰাৰ সময়ত তাত আত্মীয়- চম্পক মজুমদাৰ, পুনা মজুমদাৰ আৰু হিতেশ বৰ্মন; দুজন ব্যক্তিগত ভাৰপ্ৰাপ্ত সুৰক্ষাকৰ্মী; দুজন আৰক্ষীও উপস্থিত আছিল। অৱশ্যে, বাদী নং ২-ক বিবাদীৰ দ্বাৰা জেৰা কৰা হৈছিল, মৃতকৰ মানসিক অৱস্থাসম্পৰ্কে কোনো প্ৰশ্ন উত্থাপিত হোৱা নাছিল, কেৱল এবাৰ বাদী নং১০-ক পৰামৰ্শ দিয়া হৈছিল যে, মৃতব্যক্তিজনৰ শাৰীৰিক আৰু মানসিক অৱস্থা, বাদী নং ২-ৰ সৈতে কথা পাতিব পৰাকৈ সুস্থ নাছিল, যি অস্বীকাৰ কৰা হৈছে।

৪৬) বাদী নং ৯-ৰ সাক্ষ্য অনুসৰি, মোনাল টাৱাৰৰ প্ৰথম মহলাত সংঘটিত হোৱা ঘটনাৰ তথ্য লাভ কৰি তেওঁ ঘটনাস্থলীলৈ গৈছিল আৰু মৃতব্যক্তিজনক আঘাতপ্ৰাপ্ত অৱস্থাত পাই, লগে লগে খগেন বৰ্মনৰ বক্তব্য লিপিবদ্ধ কৰিছিল। সেইসময়, সহযোগী সহ দিচপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঘটনাস্থলীত উপস্থিত হৈছিল আৰু তেওঁৰ নিৰ্দেশত চিকিৎসাৰ বাবে আঘাতপ্ৰাপ্তসকলক চিকিৎসালয়লৈ গৈছিল। ঘটনাৰ স্থানত মৃতকৰ সাক্ষ্য, প্ৰদৰ্শক নং১৩ ৰূপে লিপিবদ্ধ কৰা হৈছিল, কিন্তু প্ৰদৰ্শক নং১৩ অনুসৰি ঘটনাটোৰ দিনাখন মৃতকৰ সাক্ষ্য জি.এম.চি.এইচ.-ত নিশা ৮ বজাত লিপিবদ্ধ কৰা হৈছিল। ঘটনাটো ২৫.১১.২০১২ তাৰিখে সংঘটিত হৈছিল। বাদী নং ৯-ৰ সাক্ষ্য ২৪.০৪.২০১৭ তাৰিখে অৰ্থাৎ ঘটনাটোৰ ৫ বছৰ পিছত লিপিবদ্ধ কৰা হৈছিল। স্বাভাৱিকতে বাদী নং ৯-এ মৃতকৰ সাক্ষ্য লিপিবদ্ধ কৰা সঠিক স্থান মনত পেলাব পৰা নাছিল, কিন্তু জেৰাত বাদী নং ৯-এ কৈছিল যে, সেই সময়ত চিকিৎসালয়ত মৃত ব্যক্তিজন সজ্ঞানে

আছিল, যাৰ অৰ্থ হৈছে ঘটনাটো বৰ্ণনা কৰিবলৈ মৃতব্যক্তিজনৰ মানসিক অৱস্থা সুস্থ হৈ আছে।

৪৭) প্ৰদৰ্শক নং১৩-ৰ পৰা এই কথাও প্ৰকাশিত হয় যে, তেওঁ মৃতকক জি.এম.চি.এইচ. লৈ আহিছিল আৰু চিকিৎসা প্ৰদানৰ প্ৰয়োজনীয়তা প্ৰকাশ কৰিছিল। আঘাতপ্ৰাপ্ত ব্যক্তিজনক প্ৰশ্ন কৰাৰ পিছত গোচৰটোৰ সন্দৰ্ভত মৃতকৰ সাক্ষ্য তেওঁ লিপিবদ্ধ কৰিছিল নিম্নলিখিতধৰণে-

> "*মই মোনাল টাৱাৰত এছ টেল নামৰ এটা ব্যক্তিগত কোম্পানীত নিৰাপত্তাৰক্ষী হিচাপে কাম কৰি আছো। আজি ৰাতিপুৱা প্ৰায় ৬ বজাত, অৰ্থাৎ ২৫.১১.১২বজাত, যেতিয়া মই মোৰ কৰ্তব্যত আছিলো, আন এটা লৰা সৈতে অনুৰাগ গোস্বামী নামৰ এজন লৰা আহিছিল। আগতে, অনুৰাগ গোস্বামী এছ. টেল কোম্পানীত এজন সুৰক্ষাকৰ্মী ৰূপে আছিল। বৰ্তমান, তেওঁ ইয়াত কাম নকৰে। মই তেওঁক জানো। অনুৰাগ গোস্বামীয়ে কম্পিউটাৰটো কাঢ়ি নিবলৈ চেষ্টা কৰিছিল, যিটো অফিচৰ ভিতৰত আছিল। যেতিয়া মই তেওঁক বাধা দিছিলো, অনুৰাগ গোস্বামী আৰু তেওঁৰ সংগীয়ে মোক অফিচৰ ভিতৰত থকা লোহাৰ পাইপ আৰু ৰডেৰে আক্ৰমণ কৰিছিল। মোৰ মূৰত গুৰুতৰ আঘাত পাইছিল। মই মাটিত পৰি যোৱাৰ লগে লগে অনুৰাগ গোস্বামী আৰু তেওঁৰ সংগী পলাই গৈছিল। যেতিয়া মই কোনোমতে ওপৰ মহলালৈ গৈছিলোঁ আৰু কাৰ্যালয়ৰ দুৱাৰত টোকৰ মাৰিছিলো, সেই কাৰ্যালয়ৰ লোকসকল ওলাই আহি ১০৮ এম্বুলেন্স সেৱাক খবৰ দিছিল।*"

৪৮) বাদী নং৯-ৰ বক্তব্য আৰু বাদী নং২-ৰ লিপিবদ্ধ কৰা সাক্ষ্যৰ পৰা প্ৰমাণ হৈছে যে, খগেন বৰ্মন (মৃতক)-ৰ মৌখিক আৰু লিখিত দায়িং-দিক্লাৰেচনৰ মাজত কোনো বস্তুগত পাৰ্থক্য নাই। এইকথা সত্য যে, প্ৰদৰ্শক ১৩-ত মৃতব্যক্তিজনে অনুৰাগ গোস্বামী আৰু আন এজন ব্যক্তিৰ নাম উল্লেখ কৰিছিল, কিন্তু বাদী নং২-ৰ মতে মৃতব্যক্তিজনে অনুৰাগ গোস্বামী আৰু

বিমল বনিয়াৰ নাম উল্লেখ কৰিছিল, তেওঁলোকে এডাল লোৰ পাইপ আৰু এটা খালী ৱাইনৰ বটলৰে তেওঁক আক্ৰমণ কৰিছিল। এইকথা চিকিৎসকৰ সাক্ষ্যৰ পৰা প্ৰমাণিত হয় যে, মৃতব্যক্তিজন ১৪টা আঘাত পাইছিল। ইয়াৰ পৰা এইকথাও জানিব পৰা হই যে, কেৱল বৰ্তমানৰ আপীলকাৰীয়ে নহয়, আন এজন ব্যক্তিয়ে আক্ৰমণ কৰাৰ ফলত মৃতকে কেইবাটাও আঘাত পাইছিল। অৱশ্যে, আনজন অভিযুক্ত বিমল বনিয়াক বিদ্বান বিচাৰ আদালতৰ দ্বাৰা নিৰ্দোষী সাব্যস্ত কৰা হৈছিল আৰু তেওঁ নিৰ্দোষী সাব্যস্ত হোৱাৰ বিৰুদ্ধে ৰাজ্যৰ দ্বাৰা কোনো আপীল-আবেদন কৰা হোৱা নাই, এই পৰ্যায়ত নিৰ্দোষী সাব্যস্ত কৰাটো শুদ্ধ নে ভুল আছিল বুলি আমাৰ ক'বলৈ একো নাই।

৪৯) ইয়াত উল্লেখ কৰিবলগীয়া আন এটা কথা হ'ল এইয়ে যে, ঘটনাটো সংঘটিত হোৱাৰ পিছত চি.আই.ডি. পৰিদৰ্শকে ঘটনাৰ স্থান পৰিদৰ্শন কৰিছিল, ঘটনাৰ স্থানৰ পৰা ফটোগ্ৰাফ আৰু আঙুলি চাপৰ চানেকি লৈছিল, যি বৰ্তমানৰ আপীলকাৰীৰ ঘটনাৰ স্থানত পোৱা আঙুলি চাপৰ সৈতে মিল খাইছিল; এই সত্য উপেক্ষা কৰিব পৰা বিধৰ নহয়।

৫০) অভিযুক্ত/আপীলকাৰীয়ে এজন সাক্ষী অৰ্থাৎ বিবাদী নং ১, নিহাৰ জ্যোতি গোস্বামী-আপীলকাৰীৰ ভাতৃক সোধপোচ কৰিছে। তেওঁৰ জবানবন্দীৰ পৰা এই কথা প্ৰকাশ পায় যে, ২৬.১১.২০১২ তাৰিখে, নাৰায়ণপুৰ আৰক্ষী থানাৰ পৰা আৰক্ষী তেওঁলোকৰ ঘৰলৈ আহিছিল সৰু ভায়েক অৰ্থাৎ আপীলকাৰীৰ সন্ধানত আৰু তেওঁ ভায়েক ঘৰত নাই বুলি কৈছিল। পুলিচে কৈছিল যে, গুৱাহাটীত কাজিয়া আৰু আক্ৰমণৰ ঘটনা ঘটিছিল। তাৰপিছত তেওঁ আৰক্ষীক কৈছিল যে, ২২.১১.২০১২-ত তেওঁৰ ভায়েক গুৱাহাটীৰ পৰা আহিছিল। তাৰপিছত তেওঁ তেওঁৰ ভায়েকক আৰক্ষী চকীলৈ লৈ আহিছিল আৰু আৰক্ষীয়ে তেওঁৰ ভায়েকক গ্ৰেপ্তাৰ কৰি, গুৱাহাটীলৈ লৈ আহিছিল।

৫১) জেৰাত, বিবাদী নং ১-এ উত্তৰ দিছিল যে, তেওঁৰ ভায়েকে প্ৰায় এবছৰ এছ. টেল কাৰ্যালয়ত কাম কৰিছিল। তেওঁ সেইসময়চোৱাত নাৰায়ণপুৰত বাস কৰি আছিল। গুৱাহাটীত কি ঘটিছিল নাজানিছিল। ঘটনাটোৰ বিষয়ে কেৱল তেতিয়াহে বোলে গ'ম পাইছিল যেতিয়া আৰক্ষী তেওঁৰ ঘৰলৈ আহিছিল।

৫২) সাক্ষী- বিবাদী নং ১ পৰীক্ষা কৰি আপীলকাৰীয়ে প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল যে, যেতিয়া ঘটনাটো সংঘটিত হৈছিল তেতিয়া তেওঁ ঘটনাস্থলীত উপস্থিত নাছিল। যদিও, বিবাদী নং ১-ক আপীলকাৰীৰ প্লি অব এলিবি (অন্য ঠাইত থকাৰ আবেদন) প্ৰমাণ কৰিবলৈ জেৰা কৰা হৈছিল, কিন্তু ২২.১১.২০১২-ৰ পৰা তেওঁ লখিমপুৰৰ ঘৰত আছিল বুলি প্ৰমাণিত হোৱা নাছিল। চুবুৰীয়া আদিৰ দৰে কোনো স্বতন্ত্ৰ সাক্ষী পৰীক্ষা কৰা হোৱা নাছিল, যিয়ে ঘটনাৰ তাৰিখত লখিমপুৰত আপীলকাৰীক দেখা বুলি এলিবিৰ আবেদন প্ৰমাণ কৰিবলৈ জেৰা কৰা হৈছিল। ইয়াৰ পৰা এইকথাও প্ৰকাশ পায় যে, যেতিয়া আপীলকাৰীৰ সাক্ষ্য ধাৰা ৩১৩ ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ অধীনত লিপিবদ্ধ কৰা হৈছিল, তেওঁ সেই ঠাইত উপস্থিত নাই বুলি এটাশব্দও উচ্চাৰণ কৰা নাছিল আৰু ঘটনাৰ তাৰিখত লখিমপুৰৰ ঘৰত আছিল আৰু তেওঁ ২২.১১.২০১২ চনৰ পৰা লখিমপুৰতে আছিল। ধাৰা ৩১৩ ফৌজদাৰী প্ৰক্ৰিয়া বিধি-ৰ অধীনত দিয়া তেওঁৰ সাক্ষ্যত আপীলকাৰীজনে কেৱল অভিযোগ কৰিছিল যে, তেওঁক ভুলকৈ পুলিচে গ্ৰেপ্তাৰ কৰিছে। তেওঁ এই প্লি(প্ৰাৰ্থনা) লৈছিল যে, ঘটনাৰ বিষয়ে একো নাজানে আৰু তেওঁৰ বিৰুদ্ধে সকলো প্ৰমাণ মিছা আছিল।

৫৩. আপাতদৃষ্টিত, প্লি অৱ এলিবি (অন্য ঠাইত থকাৰ আবেদন)ৰ অনুৰোধ যুক্তিসঙ্গতৰ বাহিৰত প্ৰমাণিত নহয়। তাৰ বাহিৰে, প্লি অৱ এলিবি অনুৰোধ প্ৰমাণ কৰিবলৈ আপীলকাৰীজনক পৰীক্ষা কৰা হোৱা নাছিল। এনে

পৰিস্থিতিত এইকথা ক'বনোৱাৰি যে, ২৫.১১.২০১২-ত অভিযুক্ত/আপীলকাৰী ঘটনাস্থলীত উপস্থিত নাছিল।

৫৪) আমি এতিয়া চালিজাৰি চাম যে, আপীলকাৰীৰ দোষৰ বিচাৰ কৰা পদ্ধতিৰ দ্বাৰা বিদ্বান সত্ৰ আদালতে, নিৰ্দোষ সাব্যস্ত ব্যক্তিজনেও অপৰাধটোত অংশগ্ৰহণ কৰিছিল বুলি কৰা ধাৰণাত ত্ৰুটি কৰা হৈছে নেকি।

৫৫) আপীল আদালতৰ দোষী সাব্যস্ত কৰাৰ আদেশৰ বিপৰীতে কৰা আপীলৰ ক্ষেত্ৰত আপীল আদালতৰ ক্ষমতা ফৌজদাৰী প্ৰক্ৰিয়া বিধি, ১৯৭৩-ৰ ধাৰা ৩৮৬(১)(খ)আৰু ১৮৯৮ চনৰ সংহিতাৰ ধাৰা ৪২৩(১)(খ)ৰ অধীনত সংজ্ঞায়িত কৰা হয়। সাক্ষ্য প্ৰমাণৰ ক্ষেত্ৰত, আপীল আদালতৰ ক্ষমতা বিচাৰ আদালতৰ দৰেই বিস্তৃত। এই আদালতৰ সাক্ষ্য সামগ্ৰিকভাৱে পুনৰীক্ষণ কৰাৰ সম্পূৰ্ণ ক্ষমতা আছে। সম্পূৰ্ণ প্ৰমাণ আৰু প্ৰাসঙ্গিক বিষয়সমূহৰ গভীৰলৈ গৈ অভিযুক্তৰ দোষ বা নিৰ্দোষৰ বিষয়ে নিজৰ সিদ্ধান্তত উপনীত হ'বৰ অধিকাৰ আছে।

৫৬) *সুন্দৰ সিং বনাম পাঞ্জাৱ ৰাজ্য* প্ৰতিবেদন নং- এ.আই.আৰ. ১৯৬২ এছ.চি. ১২১১-ত এইযুক্তি দিয়া হৈছিল যে, *ধাৰা ৪২৩(১)(ক)-ৰ অধীনত নিৰ্দোষী সাব্যস্ত হোৱা ব্যক্তিজনৰ বিৰুদ্ধে এটা গোচৰ পৰোক্ষ আৰু ঘটনাক্ৰমে বিবেচনা কৰি আপীল আদালতৰ বিৰুদ্ধে কোনো বাধা সৃষ্টি নকৰে, যদিহে গোচৰটোৰ সৈতে মোকাবিলা কৰোঁতে দোষী সাব্যস্ত হোৱা আন অভিযুক্তৰ বিষয়ত আপীলৰ উপস্থাপন কৰা হৈছে। সামগ্ৰিকভাৱে প্ৰমাণবোৰ বিবেচনা কৰাত, আপীল আদালতে এই সিদ্ধান্তত উপনীত হ'ব পাৰে যে, নিৰ্দোষী সাব্যস্ত হোৱা ব্যক্তিজনৰ বিৰুদ্ধে সাক্ষ্য সঠিক হ'ব পাৰে আৰু বৰ্জন কৰাৰ প্ৰয়োজন নাই। যেতিয়া কেইবাজনো ব্যক্তিয়ে এটা অপৰাধৰ উমৈহতীয়া উদ্দেশ্যত সকলোকে আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতি দি অপৰাধ কৰিছিল বুলি অভিযোগ কৰা হয় আৰু বাকীবোৰক বাদদি এজনক নিৰ্দোষী সাব্যস্ত কৰা হৈছে, আপীল আদালতে সাক্ষ্যৰ পুনৰীক্ষণৰদ্বাৰা ভুলকৈ নিৰ্দোষী*

*সাব্যস্ত কৰা হৈছিল বুলি সিদ্ধান্ত ল'ব পাৰিব, যদিও ৰাজ্য চৰকাৰৰ আপীলৰ অবৰ্তমানত এনেধৰণৰ নিৰ্দোষী সাব্যস্ত কৰাত হস্তক্ষেপ কৰিব নোৱাৰিব। এনে সিদ্ধান্তৰ প্ৰভাৱে নিৰ্দোষী সাব্যস্ত কৰাৰ সিদ্ধান্তক দোষী সাব্যস্ত নকৰি অথবা নিৰ্দোষী এজনক অপৰাধী নকৰিব। এনে উপনীত সিদ্ধান্ত, দোষী ব্যক্তিৰ কনষ্টাকটিভ ক্ৰিমিনেলিটি* (গঠনমূলক অপৰাধৰ দায়বদ্ধতা) বিপৰীতেহে ব্যৱহাৰ্য্য হ'ব।

৫৭) অপৰাধী দায়বদ্ধতাৰ সাধাৰণ নীতি হৈছে যে, ই মুখ্যতঃ প্ৰকৃততে অপৰাধ কৰা ব্যক্তিজনৰ সৈতে সংলগ্ন হয় আৰু ইয়াৰ দ্বাৰা কেৱল এনে ব্যক্তি যাক অপৰাধৰ বাবে দোষী সাব্যস্ত কৰিব পাৰি আৰু শাস্তি দিব পাৰি। দণ্ডবিধিৰ ধাৰা ৩৪ আৰু ১৪৯-ৰ বাবে কন্সষ্ট্ৰাকটিভ ক্ৰিমিনেলিটি (গঠনমূলক অপৰাধৰ দায়বদ্ধতা) বিষয়ত কয়। ধাৰা ১৪৯-এ এক নিৰ্দিষ্ট অপৰাধ সৃষ্টি কৰে আৰু উমৈহতীয়া উদ্দেশ্যত থকা পাঁচ বা ততোধিক ব্যক্তিৰ এক সমাবেশ সুচাই। এজনতকৈ অধিক অভিযুক্তৰ দ্বাৰা উমৈহতীয়া উদ্দেশ্যৰে সংঘটিত অপৰাধ দ্বাৰা ধাৰা ৩৪-এ কো-এক্সতেন্তিভ কালপেবিলিটি (সমভাৱে-বিস্তৃত দোষৰ নিয়ম) প্ৰণয়ন কৰে। ভা.দ.বি.-ৰ ধাৰা ১২০ বি-ৰ অধীনত দণ্ডনীয় ষড়যন্ত্ৰমূলক অপৰাধ, দুজন বা অধিক ব্যক্তিসকলৰ মাজত হোৱা চুক্তিত অন্তৰ্ভুক্ত হয়। এই ধাৰাবোৰৰ প্ৰয়োগ হোৱাৰ আগতে আদালতে নিশ্চিত হ'ব লাগিব যে, পাঁচজন ব্যক্তিৰ কমন ইনটেনচন (উমৈহতীয়া অভিপ্ৰায়), চুক্তিত প্ৰৱেশ কৰা দুজন ব্যক্তিৰ কমন অবজেক্ট(উমৈহতীয়া উদ্দেশ্য)-ত অংশলোৱা দুজন ব্যক্তি থাকিব লাগে। ভিকাৰিয়াছ লায়েবিলিটি (আনৰ হকে কৰা দায়বদ্ধতা)-ৰ নীতি নিৰ্দিষ্ট সংখ্যক ব্যক্তিক দোষী সাব্যস্ত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ নকৰে; ই যুক্তিসঙ্গত সন্দেহৰ বাহিৰত তথ্যৰ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰে, যিয়ে এনে নীতি প্ৰযোজ্য কৰে।

৫৮) *হৰ্ষদ সিং বনাম গুজৰাট ৰাজ্য,* (১৯৭৬) ৪ এছ.চি.চি. ৬৪০: এ.আই.আৰ. ১৯৭৭ এছ.চি. ৭১০-ৰ ক্ষেত্ৰত এইকথা উপস্থাপন কৰা হৈছিল যে, যদি কেইবাজনো অভিযুক্তৰ ভিতৰত কেইজনমানক নিৰ্দোষী সাব্যস্ত কৰা হৈছে, কিন্তু আক্ৰমণকাৰীৰ সমজোৰা অংশগ্ৰহণৰ উপস্থিতি প্ৰমাণিত হৈছে, অপৰাধৰ সংযুক্ত দোষাৰোপণৰ পৰা সাৰি যাব নোৱাৰি। যেতিয়া এজনতকৈ অধিক ব্যক্তিৰ বিৰুদ্ধে মোকৰ্দমা কৰা হয় আৰু তেওঁলোকৰ মাজৰ এজন দোষী সাব্যস্ত হয় আৰু আনসকলক নিৰ্দোষ সাব্যস্ত কৰা হয়, এই নিৰ্দোষী সাব্যস্ত কৰাৰ আদেশ আঁতৰাই ৰাখিব নোৱাৰি যেতিয়ালৈকে উক্ত আদেশৰ বিপৰীতে সেই সংক্ৰান্তে এটা আপীল যথাযথভাৱে অগ্ৰাধিকাৰ দিয়া নহয়। কিন্তু ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ৩৮৬ ধাৰাৰ অধীনত কোনো গোচৰত প্ৰমাণৰ সামগ্ৰিক বিবেচনা কৰি আপীল গ্ৰহণ বা নাকচ কৰাত আপীল আদালতৰ কোনো বাধা নাই। আপীলকাৰীয়ে ১৮৬০-ৰ দণ্ডবিধিৰ ধাৰা ৩৪-ৰ অধীনত দোষী-এ নিৰ্দোষী সাব্যস্ত হোৱাত আন অভিযুক্তৰ সৈতে উমৈহতীয়া অভিপ্ৰায়ত অংশগ্ৰহন কৰিছে, আৰু এই ব্যক্তিসকলক দোষমুক্ত কৰাটো বেয়া হৈছে। আপীল আদালতে সেই দৃষ্টিভংগী প্ৰকাশ কৰা আৰু লগতে লিপিবদ্ধ কৰাত প্ৰতিৰোধ কৰিবলৈ আইনত একো উপায় নাই। এই অনুসন্ধানৰ ওপৰত ভিত্তি কৰি, আপীলকাৰীৰ ক্ষেত্ৰত দোষী সাব্যস্তকৰণ হ'ব পাৰে। এই পদ্ধতি হৈছে- ন্যায়ৰ স্খলন প্ৰতিহত কৰাৰ বাবে সঠিক আইনী পদ্ধতি। ৰাজ্যৰ আপীল আবেদনৰ অবৰ্তমানত নিৰ্দোষসাব্যস্ত কৰাৰ এক ভুল আৰু আসোঁৱাহপূৰ্ণ আদেশ, এই আদেশ অপৰিৱৰ্তনীয় হৈ ৰয়, কিন্তু উমৈহতীয়া অভিপ্ৰায়ৰে সহ-অভিযুক্তৰ কোনো ক্ষেত্ৰত অংশগ্ৰহন প্ৰমাণিত হ'লে, ৰাজ্যই সহ-অভিযুক্তৰ কন্সত্ৰাকটিভ লায়েবিলিটি (গঠনমূলক দায়বদ্ধতা) নথিবদ্ধ কৰাত বাধা নাথাকিব।

৫৯) *সুন্দৰ সিং গোচৰত* (সুপ্ৰা) চাৰিজন ব্যক্তিক ধাৰা ৩০২/৩৪, ভা.দ.বি.-ৰ অধীনত অপৰাধত বিচাৰ কৰা হৈছিল। সত্ৰ ন্যায়াধীশে ৰচপাল

সিঙক সন্দেহৰ লাভালাভৰ ভিত্তিত নির্দোষী সাব্যস্ত কৰে, কিন্তু অভিযুক্ত আন তিনিজনক অপৰাধত দোষী সাব্যস্ত কৰে। ৰচপাল সিঙক নির্দোষ সাব্যস্ত কৰাৰ বিপৰীতে কোনো আপীল আবেদন কৰা হোৱা নাছিল। কিন্তু তিনিজন দোষী সাব্যস্ত ব্যক্তিয়ে উষ্চ ন্যায়ালয়ত আপীল কৰিছিল। উষ্চ ন্যায়ালয়ে কয় যে, ৰচপাল সিং ঘটনাস্থলীত উপস্থিত আছিল আৰু চাৰিওজন অভিযুক্তৰে উমৈহতীয়া অভিপ্রায় থকা অভিযুক্তপক্ষৰ অভিযোগ সত্য আছিল। আপীলকাৰীসকলে উষ্চতম ন্যায়ালয়ৰ সন্মুখত যুক্তি দিছিল যে, উষ্চ ন্যায়ালয়ৰ ৰচপাল সিঙৰ নির্দোষ সাব্যস্ত হোৱাৰ বৈধতা আৰু ইয়াৰ অনুসন্ধানৰ ক্ষেত্রত অধিকাৰ ক্ষেত্র বা কর্তৃত্ব নাই আৰু অভিযুক্তপক্ষৰ অভিযোগ অনুসৰি ৰচপাল সিঙে অপৰাধত অংশগ্রহণ কৰিছিল বুলি উষ্চ ন্যায়ালয়ৰ ৰায়ত গুৰুতৰ আসোঁৱাহ ৰৈ গৈছিল। এইকথালৈ আঙুলিয়াই দিয়া হৈছিল যে, যেতিয়া উষ্চ ন্যায়ালয়ে ধাৰণাটোৰ ওপৰত ভিত্তি কৰি অভিযোগকাৰীৰ সাক্ষ্যৰ বিৰুদ্ধে সমালোচনা কৰি বিবেচনা কৰিছিল যে, উক্ত সাক্ষ্যবোৰ ৰচপাল সিং ক্ষেত্রত নির্ভৰযোগ্য নহয় বুলি পোৱা গৈছিল, ৰচপাল সিঙৰ পক্ষত প্রদান কৰা নির্দোষ সাব্যস্ত কৰাৰ আদেশ খাৰিজ কৰাৰ বাবে সাক্ষ্য বিষয়ত সমর্থন কৰা নাছিল; কেৱল আদালতৰ সন্মুখৰ আপীলকাৰীসকলৰ বিৰুদ্ধে সাক্ষ্য গ্রহনযোগ্য হ'ব নেকি বুলি সিদ্ধান্ত লোৱা আৰু পর্যবেক্ষণ কৰা হৈছে-

> "প্রকৃততে, আপীল আদালত হিচাপে, উষ্চ ন্যায়ালয়ে একেটা বিচাৰত দোষীসাব্যস্ত হোৱা সহ-অভিযুক্তই কৰা আপীলৰ ক্ষেত্রত বিচাৰ আদালতে মুকলি কৰা অভিযুক্তৰ বিৰুদ্ধে উত্থাপিত সাক্ষ্য পৰোক্ষ ভাৱে আৰু ঘটনাক্রমে বিবেচিত সাক্ষ্যৰ বিবেচনা কৰিব লাগিব, আৰু এই পদক্ষেপ লওঁতে উষ্চ ন্যায়ালয় আৰু আনকি এই ন্যায়ালয়েও কেতিয়াবা ইয়াৰ পৰোক্ষ সিদ্ধান্ত নথিভুক্ত কৰিব লাগে যে, নির্দোষ ব্যক্তিসকলৰ

বিৰুদ্ধে সাক্ষ্য দুৰ্বল বা অসন্তোষজনক নাছিল আৰু সেই অৰ্থত এনে নিৰ্দোষীকৰণ অযুক্তিকৰ বুলি গণ্য কৰা হয়।"

৬০. এই পৰ্যৱেক্ষণবোৰে সূচায় যে উচ্চ ন্যায়ালয়ে অভিযোগকাৰীৰ সাক্ষ্যৰ মূল্যাংকন কৰিব আৰু নিজস্ব সিদ্ধান্তত উপনীত হব। এই বিবেচনা এই সীমিত উদ্দেশ্যত সিদ্ধান্ত লোৱাৰ বাবে হৈছিল যে, এজন অভিযুক্ত ব্যক্তিক যি আসোঁৱাহৰ ভিত্তিত দিয়া মুক্তি, সেই আসোঁৱাহ দোষী সাব্যস্ত হোৱা আন অভিযুক্তৰ দ্বাৰা লাভ কৰা হ'ব পাৰে নে। পুনৰ পৰীক্ষাত আপীল আদালতৰ সাক্ষ্যবোৰ নিজৰ মতত উপনীত হ'ব পাৰে, যি বিচাৰ আদালতৰ দ্বাৰা সহ-অভিযুক্তক নিৰ্দোষী সাব্যস্ত কৰোঁতে উপনীত হোৱাৰ বিপৰীতে হ'ব পাৰে।নিৰ্দোষ অভিযুক্তৰ বিৰুদ্ধে প্ৰমাণ থকা সাক্ষ্য সন্তোষজনক আৰু বৰ্জন কৰিব নোৱাৰি বুলি নিজস্ব সিদ্ধান্তত উপনীত হ’ব পাৰে। এনে ধৰণৰ সিদ্ধান্ত আধাৰত আপীল আদালতে নিৰ্দোষীৰ চূড়ান্ত আদেশ খাৰিজ নকৰে। আদালতত আপীলকাৰীৰ আবেদনত আদালতৰ সিদ্ধান্তৰ প্ৰভাৱ বিবেচনা কৰিব। যদি সাক্ষ্যৰ ক্ষেত্ৰত, উচ্চ ন্যায়ালয়ে নিশ্চিতভাৱে এই সিদ্ধান্তত উপনীত হ'ব পাৰে যে, আপীলকাৰী আৰু নিৰ্দোষী সাব্যস্ত হোৱা ব্যক্তিজনে উমৈহতীয়া উদ্দেশ্যত কাম কৰিছিল, তেন্তে ধাৰা ৩৪-ৰ সহায়ত আপীলকাৰীৰ দোষী সাব্যস্তকৰণ বিধিসংগত হয়। নিৰ্দোষ সাব্যস্ত ব্যক্তিজন প্ৰকৃততে অপৰাধটোত অংশগ্ৰহণকাৰীসকলৰ মাজৰ এজন আছিল বুলি প্ৰতিষ্ঠিত হোৱা সত্বেও ধাৰা ৩৪-ৰ সহায়ত যদি কোনো দোষী সাব্যস্ত কৰিব নোৱাৰিলে ন্যায়ৰ প্ৰহসন হ'ব।

৬১) *বিশ্বধৰ প্ৰধান বনাম উৰিষ্যা ৰাজ্য,* প্ৰতিবেদন নং- ১৯৫৬ এছ.চি.আৰ. ২০৬-ত উপস্থাপিত হোৱাৰ দৰে- অভিযুক্ত সহ-ষড়যন্ত্ৰকাৰীসকলক নিৰ্দোষ সাব্যস্ত কৰা হৈছিল এই সত্যৰ ওপৰত ভিত্তি কৰি ১২০ বি ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰা হয় বুলি প্ৰশ্নৰ উত্থাপন হৈছিল। এইক্ষেত্ৰত, আপীলকাৰী আৰু তেওঁৰ চাৰিওজন সহ-অভিযুক্তক

ভা.দ.বি.-ৰ ১২০-বি ধাৰাৰ অধীনত অপৰাধমূলক ষড়যন্ত্ৰৰ অভিযোগ দোষাৰোপ কৰা হৈছিল। চাৰিওজন সহ-অভিযুক্তক নির্দোষী সাব্যস্ত কৰা হৈছিল, কিন্তু আপীলকাৰী অকলে দোষী সাব্যস্ত কৰা হৈছিল। আদালতে মত দিছিল যে, দোষী সাব্যস্ত হ'ব পাৰে কিয়নো অনুমোদনকাৰী জন সহ-ষড়যন্ত্ৰকাৰীসকলৰ মাজৰ এজন আছিল। এই যুক্তি দিছিল যে, অনুমোদন লাভকৰোতাজনৰ নাম অভিযোগত দিয়া হোৱা নাছিল আৰু সেয়েহে, আপীলকাৰীজনৰ নির্দোষী সাব্যস্ত হোৱাৰ অধিকাৰী আছিল। আদালতে এনেদৰে উপস্থাপন কৰিছিল যে-

> *"আপীলকাৰীৰ বিদ্বান পৰামর্শদাতাই বিবেচনাত বিষয়বোৰত জোৰদিছিল যে, সাক্ষ্যত প্ৰকাশ কৰা স্বত্বেও আপীলকাৰীজন নির্দোষ সাব্যস্ত হোৱাৰ অধিকাৰী আছিল কিয়নো ইয়াত তেওঁৰ বিৰুদ্ধে প্ৰস্তুত কৰা অভিযোগৰ কোনো প্ৰসংগত অনুমোদনকাৰীৰ উল্লেখ নাছিল। তেওঁ দাবী কৰিছিল যে, অভিযুক্তজন যি নিয়মৰ ওপৰত নির্দোষী সাব্যস্ত হৈছিল, সেই বিধি ব্যৱহাৰত নাছিল, কিন্তু নীতিগত বিষয় আছিল। বর্তমানক্ষেত্ৰত আমি নিশ্চিত নহয় যে বিচাৰ আদালতৰ দ্বাৰা সহঅভিযুক্তক দোষমুক্ত কৰাটো আইনত ভালদৰে প্ৰতিষ্ঠিত হৈছিল বা গোচৰটোৰ সাক্ষ্য ন্যায়সঙ্গত আছিল। অভিযুক্তপক্ষৰ হৈ বিচাৰ আদালতে দিয়া প্ৰমাণবোৰ অবিশ্বাস কৰা নাছিল। ই কেৱল অভিযুক্তজনক বেনেফিট অৱ ডাউট (সন্দেহ সুবিধা) প্ৰদান কৰিছে, যাক নির্দোষ সাব্যস্ত কৰিছিল, যি পৰীক্ষা নহ'বও পাৰে। কিন্তু যিহেতু সেই নির্দোষ ব্যক্তিসকলৰ বিৰুদ্ধে গোচৰটো নহয়, আমি আৰু আগলৈ যোৱাৰ প্ৰয়োজন নাই।*

৬২) *মাৰাচালিল পাক্কু বনাম মাদ্ৰাজ ৰাজ্য,* এ.আই.আৰ. ১৯৫৪ এচ. চি. ৬৪৮-ৰ ক্ষেত্ৰত দুজন আপীলকাৰীক আন পাঁচজনৰ সৈতে অভিযুক্ত কৰা হৈছিল আৰু বেআইনী সমাবেশ গঠন আৰু হত্যা কৰাৰ বাবে ভা.দ.বি.-ৰ ধাৰা ৩০২ ৰ লগতে ধাৰা ১৪৯-ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল।

আপীল আদালতত, পাঁচজন অভিযুক্তক সন্দেহৰ সুবিধা দিয়া হৈছিল আৰু নির্দোষী সাব্যস্ত কৰা হৈছিল। আপীল আদালতত উপস্থাপন কৰা হৈছিল যে, এই ৫জন অভিযুক্তক নির্দোষী সাব্যস্ত কৰা হৈছে আৰু বেআইনী সমাবেশ গঠনৰ অভিযোগৰ অভাৱত, দুজন আপীলকাৰী উমৈহতীয়া উদ্দেশ্যৰ বেআইনী সমাবেশৰ সদস্য হ'ব নোৱাৰিলে। মাননীয় উচ্চতম ন্যায়ালয়ে সাক্ষ্যৰ পুনৰ পৰ্যালোচনাৰ প্ৰমাণ আৰু উচ্চ ন্যায়ালয়ৰ ৰায় বিবেচনা কৰাৰ পিছত উপস্থাপন কৰে যে, গোচৰটোৰ সন্দেহ লাভালাভৰ তত্বটো প্ৰৱৰ্তন কৰাৰ কোনো সুযোগ বাকী নাছিল, আৰু উচ্চ ন্যায়ালয়ে অভিযুক্ত ৩-ৰ পৰা ৭লৈ নির্দোষ সাব্যস্ত কৰাত ত্ৰুটি আছিল, আৰু যদিও নির্দোষ সাব্যস্ত কৰা হৈছে, এই পৰিস্থিতিয়ে ধাৰা ৩০২ আৰু ধাৰা ১৪৯-ৰ অধীনত আপীলকাৰীসকলৰ দোষী সাব্যস্ত হোৱাত প্ৰভাৱ নেপেলায়। য'ত অতি দৃঢ় ভাষাত এটা অনুসন্ধান দিয়া হৈছে যে, সাতজন ব্যক্তিয়ে অপৰাধটোত অংশগ্ৰহণ কৰিছিল, দুয়োজনৰ দোষী সাব্যস্ত হৈছিল- ধাৰা ৩০২/১৪৯-ৰ অধীনত হত্যাৰ বাবে আপীলকাৰীসকলক সম্পূর্ণৰূপে ন্যায়সঙ্গত বুলি ধৰা হৈছিল।

৬৩) ধাৰা ১৪৯-ৰ দৰে ধাৰা ৩৪-তো গঠনমূলক অপৰাধৰ দায়বদ্ধতা বিষয়ত পৰ্যালোচনা কৰে। লগতে প্ৰতিষ্ঠা কৰে যে, উমৈহতীয়া উদ্দেশ্যত কেইবাজনো ব্যক্তিয়ে এটা অপৰাধমূলক কাৰ্য্য কৰিলে, সেই কামৰ বাবে এনে প্ৰতিজন ব্যক্তিয়ে অকলে কৰাৰ দৰেই দায়বদ্ধ হয়। ধাৰা ৩৪-ৰ দ্বাৰা নিৰ্ধাৰিত ভিকাৰিয়াছৰ (আনৰ হকে) অপৰিহার্য উপাদান অপৰাধমূলক দায়বদ্ধতাই হৈছে উমৈহতীয়া অভিপ্ৰায়ৰ অৱস্থিতি। যদি প্ৰশ্নত উত্থাপিত উমৈহতীয়া উদ্দেশ্যটো ইয়াৰ পৰা সজীৱ হয় আৰু যদি উক্ত উমৈহতীয়া উদ্দেশ্য অভিযুক্তৰ পৰা উদ্বুদ্ধ হয় আৰু উক্ত উমৈহতীয়া উদ্দেশ্য অভিযোগৰ ফৌজদাৰী অপৰাধৰ কাৰণ হয়, উমৈহতীয়া উদ্দেশ্যত ৰত প্ৰতিজন ব্যক্তি সামূহিকভাৱে তেওঁলোকৰ এজনে কৰা গঠনমূলক দায়বদ্ধতাৰ বাবে দায়ী

হ’ব। ঠিক যেনেদৰে উমৈহতীয়া সম্পদৰ ভাগ বাতোৱাৰা কৰা ব্যক্তিৰ সংমিশ্ৰণ বেআইনী সমাবেশৰ এক বিশেষত্ব, সেয়েহে উমৈহতীয়া উদ্দেশ্যৰ ভাগ বাতোৱাৰা কৰা ব্যক্তিৰ সংমিশ্ৰণৰ অস্তিত্ব হৈছে ধাৰা ৩৪-ৰ এক বিশেষত্ব।

৬৪) *সুখৰাম বনাম ইউ.পি. ৰাজ্য*, প্ৰতিবেদন নং-(১৯৭৪) ৩ এছ.চি.চি. ৬৫৬: (১৯৭৪) ২ এছ.চি.আৰ. ৫১৮-ৰ ক্ষেত্ৰত এইকথা উপস্থাপিত হৈছে যে, সত্ৰ আদালতত অভিযুক্তপক্ষই দিয়া অনিশ্চিত সাক্ষ্যৰ ভিত্তি কৰি ধাৰা ৩০২-ৰ অধীনত আৰু ধাৰা ৩৪-ত সৈতে বিবেচনা কৰি আপীলকাৰীৰ ওপৰত অন্যায় হোৱা বুলি ক'ব নোৱাৰি, যদিও অভিযোগত আন দুজন অভিযুক্তৰ নাম বিশেষভাৱে নিৰ্দোষ সাব্যস্ত কৰা হৈছে। উচ্চ ন্যায়ালয় নিশ্চিত আছিল যে, তাত তিনিজন অপৰাধী আছিল আৰু আপীলকাৰী তেওঁলোকৰ মাজৰ এজন। এইটো স্পষ্ট যে, অভিযোগ থকা স্বত্বেও,অভিযুক্ত দুজনৰ দোষমুক্ত হোৱাটোৰে, ধাৰা ৩০২-ৰ অধীনত আৰু ধাৰা ৩৪-ৰ সৈতে বিবেচনা কৰি দোষী সাব্যস্ত কৰা ক্ষেত্ৰত হেঙাৰ নহ’ব।

৬৫) কৰ্তৃপক্ষই এনেদৰে দেখুৱাইছে- এইটো অত্যাৱশ্যকীয় নহয় যে, একাধিক ব্যক্তিক অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা উচিত আৰু ধাৰা ৩৪ ভাৰতীয় দণ্ডবিধি, ১৮৬০ প্ৰয়োগ কৰাতো বাঞ্চনীয় যদিহে, দুজন বা ততোধিক ব্যক্তি উমৈহতীয়া উদ্দেশ্যৰ অপৰাধত জড়িত হয়। য'ত আপীল আদালতে পৰীক্ষা কৰা সাক্ষ্যবোৰে সন্দেহাতীতভাৱে প্ৰমাণ কৰে যে, আন অভিযুক্ত, যিসকলে অভিযুক্তৰ দোষ সাব্যস্ত হোৱাৰ আগতেই সেই দৃষ্টিভংগী প্ৰকাশ কৰিছে লগতে অনুসন্ধান আৰু নিৰ্ধাৰণ কৰিছে, তেওঁলোকৰ সৈতে এক উমৈহতীয়া উদ্দেশ্যত অংশগ্ৰহন কৰাৰ বাবে আপীলকাৰীজন ধাৰা ৩৪-ৰ অধীনত দোষী আছিল।

৬৬) আমি সিদ্ধান্তত উপনীত হোৱাৰ শৃংখলাটো লক্ষ্য কৰিছোঁ য'ত এই দৃষ্টিভংগীত জোৰ দিয়া হৈছে যে, যেতিয়া এক নিৰ্দিষ্ট সংখ্যক জ্ঞাত লোকে অপৰাধত অংশগ্ৰহণ কৰাৰ অভিযোগ উত্থাপিত হৈছিল আৰু আপীলকাৰীৰ

বাহিৰে সকলোকে নিৰ্দোষী সাব্যস্ত কৰা হৈছিল, তেন্তে ভা.দ.বি.-ৰ ধাৰা ৩৪-ৰ অধীনত কেৱল আপীলকাৰীক দোষী সাব্যস্ত কৰিব নোৱাৰি আৰু তেওঁ কেৱল ব্যক্তিগতভাৱে কৰা তেওঁৰ আক্ৰমণৰ বাবেহে দায়বদ্ধ হ'ব,[(*প্ৰভু বাবাজী নাভলে বনাম বোম্বাই ৰাজ্য*, এ.আই.আৰ.১৯৫৬ এচ. চি. ৫১; *কৃষ্ণ গোবিন্দ পাটিল বনাম মহাৰাষ্ট্ৰ ৰাজ্য*, (১৯৬৪) ১ এছ.চি.আৰ. ৬৭৮; *বাউল বনাম ইউ.পি.ৰাজ্য*, (১৯৬৮)২ এছ.চি.আৰ. ৪৫০ (৪৫৪); *মাইনা সিং বনাম ৰাজস্থান ৰাজ্য*, (১৯৭৬) ২ এছ.চি.চি.৮২৭ : (১৯৭৬) ৪ এছ.চি.আৰ. ৬৫১; *কাৰ্ণাইল সিং বনাম পঞ্জাৱ ৰাজ্য*, (১৯৭৬) ৪ এছ.চি.চি. ৮১৬: এ.আই.আৰ. ১৯৭৭ এছ.চি. ৮৯৩ আৰু *পিয়াৰা সিং বনাম পঞ্জাৱ ৰাজ্য*,(১৯৮০)২ এছ.চি.চি. ৪০১।]

৬৭) ওপৰোক্ত আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি আমি উপস্থাপন কৰিছো যে, বিদ্বান সত্ৰ আদালতত ধাৰা ৩০২ ভাৰতীয় দণ্ডবিধিৰ অধীনত অভিযুক্ত/আপীলকাৰীক দোষী সাব্যস্ত কৰাটো ন্যায়সঙ্গত আছিল, সেয়েহে বাহাল ৰখা হৈছে। আন অভিযুক্তক দোষমুক্ত কৰাৰ সন্দৰ্ভত, ৰাজ্য চৰকাৰৰ দ্বাৰা কোনো আপীল আবেদন কৰা নাই। এই ভিত্তিত ৰাজ্যিক আপীলৰ অবৰ্তমানত আমি সহ-অভিযুক্ত দোষৰ পৰা মুক্ত কৰিব নোৱাৰো।

৬৮. ৰায়ত আপীল আবেদনখন খাৰিজ কৰা হয়।

৬৯. এল.চি.আৰ. (নিম্ন আদালতৰ নথি) প্ৰেৰণ কৰক।

.........................

---

অনুবাদক- ড. অৰ্ষনা দেৱী, অনুবাদ শাখা, গৌহাটী উচ্চন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical

and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)